# শৰৎকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ১৫/০৯/২০২৩ শুকুৰবাৰ**

---

**ইংৰাজী ১৫-০৯-২০২৩ তাৰিখে অসম বিধান সভাৰ শৰৎকালীন অধিবেশন পূৰ্ব্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ০৯ঃ০০ বজাত আৰম্ভ হয় ঃ**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৮১। মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়া।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** পৰিপূৰক প্ৰশ্ন।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথম প্ৰশ্নটো সুধিছিলো যে অসমত এবাৰ ধান খেতি কৰা এলেকা (Net Sown Area) কিমান আছে? তেখেতে ক'লে যে ২৭.২৪ লাখ হেক্টৰ আছে আৰু সৰ্ব্বমুঠ খেতি কৰা এলেকা (Gross Sown Area) সৰ্বমুঠ ৩৮.৮৮ লাখ হেক্টৰ আছে। তাৰপিছত ক'লে যে ইয়াৰে ২০২৩ বৰ্ষলৈকে ১১.০৩ লাখ হেক্টৰ কৃষি ভূমি জলসিঞ্চনৰ আঁওতালৈ অনা হৈছে যদিও বৰ্তমান কেৱল ৫ লাখ ৫০ হাজাৰ কৃষি ভূমিত হে জলসিঞ্চনৰ আঁওতালৈ অনা হৈছে। মোৰ প্ৰশ্নটো হ'ল যে চৰকাৰী তথ্য মতেকেৱল ১৪ শতাংশ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰা জলসিঞ্চন বিভাগে বা চৰকাৰে কেতিয়াৰ ভিতৰত অসমৰ প্ৰত্যেকখন পথাৰত ১০০ শতাংশ irrigation ৰ ব্যৱস্থা কৰিব। কাৰণ চৰকাৰে কৈ আছে যে কৃষকৰ আয় বৃদ্ধি কৰিব লাগে, আমি অসম খনক ভাৰতবৰ্ষৰ ভিতৰতে শ্ৰেষ্ঠ ৰাজ্য কৰি গঢ়ি তুলিব লাগে, ভাৰতবৰ্ষৰ ৫ খন ৰাজ্যৰ ভিতৰত এখন কৰিব লাগে। পৃথিৱীৰ কোনো এনেকুৱা দেশ নাই যি দেশে জলসিঞ্চন নকৰাকৈ বছৰত মাত্ৰ এবাৰ খেতি কৰি পথাৰ পেলাই থৈ ধনী হ'ব পাৰিছে। বছৰৰ সকলো সময়তে খেতি কৰিব পৰাকৈ ১০০ শতাংশ পথাৰত জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ কাৰণে কেতিয়া টাৰ্গেট লোৱা হৈছে আৰু তাৰ কাৰণে কি কি আঁচনি লোৱা হৈছে, প্ৰত্যেকটো আঁচনি আৰু সেই টাৰ্গেট কেতিয়া fulfill কৰা হ'ব এই সম্পৰ্কে আমাক জনাব লাগে।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰকীয়ে এটা গুৰুত্বপূৰ্ণ বিষয় ইয়াত উত্থাপন কৰিছে। অসমৰ জলসিঞ্চন প্ৰকল্পবোৰত আজিয়েই নহয় আগৰ পৰাই এটা ডাঙৰ সমস্যা আছে যে FIS (Floor Irrigation System) ত যেতিয়া Irrigation কৰা হয় LIS বনোৱা হয়, পানীক লিফ্‌ট কৰি যেতিয়া Irrigation ৰ সুবিধাটো কৰি দিয়া হয়, তেতিয়া নদীয়ে গতিপথ সলনি কৰে, মাটি উঠে। য'ত Lift Irrigation আছে তাত মাটি উঠি যায়, চৰ পৰি যায় আৰু প্ৰকল্পবোৰ নষ্ট হৈ যায়। এই ১১ লাখ হেক্টৰৰ যিটো কথা তেখেতে কৈছিল তাৰ ভিতৰত বৰ্তমান চলিত থকা অৱস্থাত ৫.৫ অৰ্থাৎ ৫০ শতাংশ প্ৰজেক্টবোৰেই যিটো Nature of the River বা নদীৰ যিটো প্ৰকৃতি তাৰ বাবে বিকল হৈ গৈছে। কিন্তু যোৱা ২ বছৰ আমাৰ মেজৰ ফ'কাচটো হ'ল যে কেনেকৈ আমি বিকল হৈ যোৱা প্ৰকল্পবোৰ ভাল কৰিব পাৰো। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই সদনক জনাবলৈ পাই সুখী হৈছো যে যোৱা ২ বছৰত প্ৰায় ৪১০ টা Irrigation Scheme মাত্ৰ ৩৪ কোটি টকা খৰছ কৰি আমি ভাল কৰিবলৈ সক্ষম হ'লো আৰু তাত যিটো potential নষ্ট হৈ গৈছিল প্ৰায় ১৬ হাজাৰ ৬ শ ৫০ হেক্টৰ মাটি

..........................

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো সেইটো নহয়। মই যিটো প্ৰশ্ন উত্থাপন কৰিছো সেই প্ৰশ্নটোৰ উত্তৰ দিবলৈ দিয়ক।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদস্য গৰাকী যদি মোৰ উত্তৰত সন্তুষ্ট নহয়, তেতিয়া আকৌ প্ৰশ্ন কৰিব পাৰিব। কিন্তু মই যিটো ক'ব বিচাৰিছো সেইটো কোৱাৰ অধিকাৰ মোৰ আছে আৰু মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই সদনক জনাব খুজিছো যে যোৱা ২ বছৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ প্ৰেৰণাত আমি ৪১০ টা স্কীম আমি revive কৰিবলৈ সক্ষম হৈছো আৰু ইয়াত মাত্ৰ ৩৪ কোটি টকা খৰছ হৈছে। কৰ'বাত ১০ লাখ, কৰ'বাত ২০ লাখ আৰু কৰ'বাত ৫ লাখ টকা খৰছ কৰি যিবিলাক potential হেৰাই গৈছিল ১৬ হাজাৰ ৫০ হেক্টৰ মাটিত আমি সেইবিলাক ঘূৰাই আনিবলৈ সক্ষম হলো। মই ভাবো যে যিবিলাক কাম আগত হোৱা নাছিল মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ মাগ দৰ্শনত এই কামবোৰ আমি কৰিবলৈ সক্ষম হলো। আজি ১৪ শতাংশ অঞ্চলত জলসিঞ্চণৰ ব্যৱস্থা কৰা হৈছে। তাৰ ভিতৰতো বহুতখিনি প্ৰকল্প বিকল হৈ আছে আৰু সকলোৱে জানে যে অসমৰ মাটিৰ প্ৰকৃতিটো কি। Link period ত যেতিয়া পানীৰ প্ৰয়োজন হয়, যেতিয়া খেতিয়কে পানী বিচাৰে তেতিয়া নদীত পানী নাথাকে। কিন্তু বৰষুণৰ সময়ত এই নদীতেই যিমান পানী নদীয়ে ল'ব পাৰে তাতকৈ বেছি পানী হয়, বানপানী হয়। Nature of the River যেনেকুৱা হয় তাৰ চিন্তা কৰি প্ৰকল্পবোৰ কেনেকৈ কৰিব পাৰি তাৰ ওপৰত আমি চিন্তা কৰি আছো আৰু আপোনাৰ জৰিয়তে মই সদনক জনাব খুজিছো যে বহু ধৰণৰ renovation জলসিঞ্চন বিভাগে আৰম্ভ কৰিছে। পৰ্য্যায়ক্ৰমে অসমৰ প্ৰত্যেকজন খেতিয়কক পানী দিয়াৰ ব্যৱস্থা কৰাৰ দায়িত্ব মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই জলসিঞ্চণ বিভাগক অৰ্পণ কৰিছে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ কৃষি বিকাশ যোজনা ৰ ভিতৰত phase I, phase II ইত্যাদি সম্পূৰ্ণ হ'ল আৰু প্ৰায় ১০ হাজাৰ টিউবেল আমি দিছো। তাৰ পৰা potential ৰ কথাটো ক'বলৈ হ'লে আমি ৪০ হাজাৰ হেক্টৰ potential create হৈছে। আমি নতুনকৈ ৯ খন SMI Scheme কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমতি পাইছো আৰু ইতিমধ্যে ২৩ খন স্কীমৰ ওপৰত আমাৰ কাম চলি আছে। দুখন ডাঙৰ আঁচনি ৰুকমি আৰু সোনাইৰ ওপৰতো কাম চলি আছে আৰু সেই কেইটা .যদি কাৰ্য্যকৰী হয় তেতিয়াহ'লে ২৮ হাজাৰ হেক্টৰ মাটিত আমি পানী দিব পাৰিম। বহু ধৰণৰ স্কীম যেনে - RIDF, NABARD আদিৰ কাম চলি আছে। আমাৰ দায়িত্ব আছে যে খেতিয়কক আমি পানী দিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ আৰু এটা কথা হৈছে যে আগতে খেতিয়কে খেতি কৰিছিল কিন্তু ধানৰ উচিত মূল্য নোপোৱাৰ বাবে খেতিয়কে খেতি কৰাৰ পৰা বিৰত আছিল।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ লাগে। তেখেতে বেলেগ উত্তৰ দি আছে।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি শুনি ভাল পোৱা নাই সেইটো বেলেগ কথা। কিন্তু অসমৰ ৰাইজে নিজৰ ভৰিত নিজে থিয় হৈছে সেইটো শুনি যদি আপুনি ভালপোৱা নাই সেইটো আপোনাৰ সমস্যা, মোৰ সমস্যা নহয়। মাননীয় অধ্যক্ষ মহোদয়, আজি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৃষকৰ পৰা ধান কিনাৰ ব্যৱস্থা কৰিছে আৰু আজি অসম চৰকাৰে ধান কিনাৰ কাৰণে খেতি পথাৰত পানীৰ চাহিদাও বাঢ়িছে আৰু আগন্তুক দিনবোৰত অসমৰ প্ৰত্যেকজন খেতিয়কক পানী দিয়াৰ ব্যৱস্থা এইখন চৰকাৰৰ দ্বাৰা কৰোৱা হ'ব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় পৰিপূৰক প্ৰশ্ন। মই কথা

এটা ক'ব বিচাৰিছো যে তেখেতে খেতিয়ক টো শব্দটো ব্যৱহাৰ কৰিছে। গতিকে মই ভাবো যে টো শব্দটো নাথাকে আৰু খেতিয়ক জন শব্দটো ব্যৱহাৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** টো শব্দটো মানে কি ?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, টো শব্দটো ব্যৱহাৰ কৰিলে অসমীয়া ভাষাত তোষাৰ্থ বুজাই আৰু জন শব্দটো ব্যৱহাৰ কৰিলে মান্যাৰ্থ বুজায়। যিসকল খেতিয়কে আমাক শ্ৰম কৰি খোৱাই আছে গতিকে সন্মান সহকাৰে আমি খেতিয়ক সকলক সম্বোধন কৰাতো উচিত।

এতিয়া মোৰ পৰিপূৰক প্ৰশ্নটো হ'ল মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো উত্তৰ দিলে যে আমাৰ জলসিঞ্চনৰ কাৰণে বহুত সমস্যা আছে। মুঠৰ ওপৰত তেখেতে ক'লে যে আমি ১০০ শতাংশ জলসিঞ্চন দিব নোৱাৰো। কিন্তু আমি সকলোৱে জানো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বাৰম্বাৰ কৈ আছে যে অসমক ভাৰতবৰ্ষৰ ৫ খন ৰাজ্যৰ ভিতৰত শ্ৰেষ্ঠ ৰাজ্য কৰিব। মই প্ৰত্যেকবাৰ বিধান সভাতেই সংকল্প প্ৰস্তাৱ আনি কৈছিলো যে অসমক যদি ধনী ৰাজ্য কৰিব লাগে তাৰ বাবে ৫ টা থিয়ৰি আছে। এটা হ'ল সকলো সময়তে খেতি কৰা ৰাজ্য, আমাৰ খেতিৰ পৰা যিটো উপাৰ্জন হ'ব তেতিয়া ব্যৱসায়টো সম্পূৰ্ণ ভাৱে আমাৰ হাতলৈ আহিব আৰু বস্তুৱে উচিত মূল্য পাব লাগিব। তৃতীয়তে হ'ল মানুহ বিলাকক professional কৰি তুলিব লাগিব আৰু চতুৰ্থটো হ'ল সকলোবোৰ আমি বাণিজ্যিক ভাৱে ল'ব লাগিব আৰু ৫ নম্বৰটো হৈছে উদ্যোগীকৰণ। মোৰ প্ৰশ্নটো হ'ল চৰকাৰৰ ১০০ শতাংশ জলসিঞ্চন কৰিবৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ মিলি ২০২৬ চনৰ ভিতৰত সকলো পথাৰতে পানী যোগান দিব নোৱাৰে নেকি ? যদি নোৱাৰে আজিয়েই কৈ দিয়ক আৰু যদি কিবা আঁচনি আছে যি আঁচনিৰ দ্বাৰা আপোনালোকে সঁচাকৈ এইটো কৰিব পাৰিব আঁচনি কেইটাৰ নাম, কিমান অনুমোদন কৰিছে আৰু ২০২৬ চনলৈ কিমান টকা অনুমোদন কৰা হ'ব আৰু কিমান খৰছ কৰা হ'ব এই কথাটো আমাক জনাব লাগে। প্ৰত্যেক মন্ত্ৰীৰে এটা vision লাগে আৰু প্ৰত্যেকটো বিভাগৰে vision এটা লাগে। যদি vision নেই নাই তেতিয়াহ'লে বিভাগ সমূহ চলাই লাভ নাই।

**মাননীয় অধ্যক্ষ ঃ** নিজে প্ৰশ্ন কৰি নিজে উত্তৰ দি থাকিব নালাগে।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যেতিয়া কৈ আছিলো তেখেতে হয়তো মন দিয়া নাই। আমি বহু ধৰণৰ আঁচনিৰ ওপৰত কাম কৰি আছো। আজি মই সোনাই আৰু ৰুকমিৰ কথা ক'লো। প্ৰায় ১৫০০ কোটি টকাৰ প্ৰকল্প। তাৰপিছত এতিয়া RIDF, SOPD আৰু ২৩ টা যিটো upcoming scheme ৰ কথা ক'লো তাত প্ৰায় ৮ শ কোটি টকাৰ scheme আছে। মাননীয় অধ্যক্ষ মহোদয়, জলসিঞ্চন বিভাগে বিভিন্ন ধৰণৰ প্ৰকল্প হাতত লৈছে। য'ত নদী নাই, য'ত নদীৰ পৰা LIS, FIS হ'ব নোৱাৰে, তাত আমি দীপ টিউবেল দিয়াৰ ব্যৱস্থা কৰি আছো। য'ত নদী আছে আৰু খৰালি মাহত নদীত পানী থাকে, তাত LIS, FIS কৰাৰ ব্যৱস্থা কৰি আছো। য'ত ডাঙৰ প্ৰকল্প ল'ব পাৰি তাত ডাঙৰ প্ৰকল্প লোৱাৰ ব্যৱস্থা কৰি আছো। কিন্তু একেদিনে এই কামবোৰ হৈ যাব তেনেকুৱা নহয়। বিকল হৈ যোৱা ৪১০ টা প্ৰকল্প যোৱা দুই বছৰত আমি revive কৰিবলৈ সক্ষম হৈছে। মই চাৰিখন জিলা নিজে ভ্ৰমণ কৰিলো আৰু প্ৰত্যেকটো বন্ধ হৈ যোৱা প্ৰকল্প মই চালো। ধেমাজি জিলা, লক্ষীমপুৰ জিলা, ডিব্ৰুগড় জিলা, এই জিলাবোৰত মই নিজে ভ্ৰমণ কৰিছো আৰু য'ত য'ত যি প্ৰজেক্ট আছে, আমি revive কৰিব পাৰো। যিবোৰ প্ৰকল্পত ৯০ শতাংশ খৰছ হৈ যোৱাৰ পিছত পানী পোৱা নগ'ল, সেই প্ৰকল্প সমূহত আৰু ১০

শতাংশ খৰছ কৰি technology ব্যৱহাৰ কৰি তাক revive কৰিব পাৰো। নতুন কৰিলে ১০০ টকা লাগিব, পুৰনিটো মেৰামতি কৰিলে ১০ টকাত হৈ যাব। আমাৰ focus টো হ'ল যে এই potential যিটো হেৰাই গ'ল 50 % because of the nature of the river and natural calamities, ইয়াত আমি কেনেকৈ revive কৰি সোনকালে পানী দিব পৰা যায়, তাৰ ব্যৱস্থা আমি কৰি আছো, নতুন প্ৰকল্প অনাৰ ব্যৱস্থা কৰি আছো, আৰু যিমান পাৰো সোনকালে প্ৰজেক্টবোৰ revive কৰাৰ ব্যৱস্থা বিভাগৰ তৰফৰ পৰা হৈ আছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। ইয়াৰ পিছৰ supplimentary সন্মানীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, কথাটো বহুদিন ধৰি আমি একে পৰ্য্যায়তে ৰৈ আছো। যিমানে আমি নতুন কথা নকওঁ কিয়, জলসিঞ্চন মন্ত্ৰীয়ে যিটো নকওক কিয় আমি এতিয়ালৈ ১৪ শতাংশ কৃষিত জলসিঞ্চন দিবলৈ সক্ষম হৈছো, মন্ত্ৰীয়ে দিয়া তথ্য মতে। আমি ভাৰতবৰ্ষত জানো যে পঞ্জাৱত ৯৪ শতাংশ, হাৰিয়ানাত ৮৩ শতাংশ, পশ্চিম ইউপিত প্ৰায় ৭৮ ৰ পাৰ ৮৩ শতাংশ জলসিঞ্চনৰ ব্যৱস্থা হৈছে। আমাৰ ৰাজ্যখনত কৃষিত যদি আমি স্বাৱলম্বী হ'ব লাগে, তেতিয়া হলে ১৪ শতাংশত কিয় ৰৈ আছো। মন্ত্ৰী ডাঙৰীয়াই হিচাপ দিয়ে যে ১৫৮৫খন আঁচনি অকামিলা হৈ আছে। ১৫৮৫ খন আঁচনি অকামিলা হৈ আছে, ইয়াক যদি সক্ষম কৰা নাযায়, তেতিয়া হ'লে আমি ১৪ শতাংশতে ৰৈ থাকিম, সেই কাৰণে ১৪ শতাংশৰ পৰা কমেও ৫০ শতাংশৰ ওপৰত যোৱাৰ কাৰণে আমি কোনো ধৰণৰ বিশেষ উদ্যোগ দেখিবলৈ পোৱা নাই। মোৰ সমষ্টিটো ডাঙৰ আঁচনি এটা অকামিলা হৈ আছে। সেই ক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰিব, যি পদক্ষেপৰ জৰিয়তে আমি কৃষিৰ ক্ষেত্ৰত বিশেষকৈ ধান উৎপাদনৰ ক্ষেত্ৰত যাতে স্বাৱলম্বী হ'ব পাৰো, সেই সম্পৰ্কত মন্ত্ৰী মহোদয়ে আমাক আশাৰ ৰেঙনি দেখুৱাব পাৰিব নে নাই, সেই কথাটো স্পষ্টভাৱে কোৱাৰ কাৰণে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অশোক সিংহল, (জলসিঞ্চন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, চেষ্টা চলি আছে। ১৪ শতাংশ দিয়া হৈছে। প্ৰত্যেক বছৰ আমি আঁচনি বিলাক আগবঢ়াই লৈ যাম আৰু তেখেতক জনাই আমি সুখী হ'ম যে বৰপেটা জিলাত কালদিয়া FIS scheme ৩০ বছৰ বন্ধ হৈ আছিল। কিন্তু এই কাৰ্য্যকালত ডেৰ কোটি টকা খৰছ কৰি কাৰ্য্যকাৰী কৰা হ'ল আৰু তাত ২০০ হেক্টৰ মাটিত পানী দিয়াৰ ব্যৱস্থা কৰিছো। বন্ধ হোৱা প্ৰত্যেকটো প্ৰকল্প কেনেকৈ আমি আৰম্ভ কৰিব পাৰো, তাৰ ওপৰত আমাৰ সম্পূৰ্ণ দৃষ্টি আছে আৰু অহা দিনবোৰত coverage টো আমি বঢ়াই লৈ যাম, এই প্ৰতিশ্ৰুতি মই দিব খুজিছো।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া প্ৰশ্ন নং ৮২, সন্মানীয় সদস্য শ্ৰী দূৰ্গা দাস বড়ো।

মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী দূৰ্গা দাস বড়ো, (কলাইগাওঁ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো, উত্তৰটো কাগজত খুব ভাল। মই কোন কোন হস্পিতালত কিমান ডাক্তৰ আৰু অন্য কৰ্মচাৰী আছে, সেইটো সুধিছিলো। বিভাগে ক্ৰুটি কৰা নাই। লিখিত উত্তৰটো চালে খুব ভাল লাগে, ডাক্তৰেই ডাক্তৰ।

মই এটা কথা কব খুজিছো যে খৈৰাবাৰীত যিখন ৩০ খন বিছনাযুক্ত হস্পিতাল আছে, ৩০ বছৰতকৈ বেছি বয়স হ'ল হস্পিতালখনৰ। সেই হস্পিতালখনত এজনো ডাক্তৰ নাই। PHE

এখন আছে, PHE ত তিনিজন ডাক্তৰে তালৈ অহা যোৱা কৰে আৰু যিখন কলাইগাওঁ মডেল হস্পিতাল আছে, সেই কলাইগাওঁ মডে'ল হস্পিতাল খনত পৰ্য্যাপ্ত কৰ্মচাৰী আছে আৰু staff post creation ও কৰা আছে। যিটো মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰত দিছে। কিন্তু এতিয়া তাত গলে তিনিটাকৈ বেছি ডাক্তৰ নাপাই, দেখাত প্ৰায় ১১ জন মান ডাক্তৰ আছে।

গতিকে মই মন্ত্ৰী মহোদয়ক, প্ৰথমতে এটা প্ৰশ্ন কৰিব বিচাৰিছো, বিশেষকৈ খৈৰাবাৰীৰ ৩০ খন বিছনাযুক্ত হস্পিতালখন পৰিচালনা কৰাত বিশেষ কষ্ট হৈছে। সেই ঘৰটোৰ টিন ইতিমধ্যে ফুটি গ'ল, চিলিং বেয়া হৈ গ'ল, কিন্তু ডাক্তৰ হৈ নাপালে। আপুনি সেইটো কৰক আৰু য'ত কলাইগাওঁ মডেল হস্পিতালখন আছে, সেই হস্পিতালখনৰ সম্পূৰ্ণ কৰ্মচাৰী আপুনি allot কৰা, কৰ্মচাৰী তাত গোটেইখিনি থাকিলে মই ভাল পাম।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ বিতং তথ্য তেখেতক দিয়া হৈছে। কলাইগাওঁ মডে'ল হস্পিতালৰ বিষয়েও দিয়া হৈছে আৰু এখন ৩০ খন বিছনাযুক্ত হস্পিতাল আছে। গতিকে ইয়াৰ তথ্যখিনি মই repeat নকৰো।

এতিয়া তেখেতৰ কথাটো হৈছে যে আমাৰ যিখন খৈৰাবাৰী ৩০ খন বিছনাযুক্ত হস্পিতাল, আচলতে আমাৰ যিখিনি হস্পিতাল আছে, ১৯৮৫-৯০ চনৰ ভিতৰত নিৰ্মাণ কৰা হৈছিল। প্ৰায় তিনি ঠাইত হৈছিল, সেইখিনি গোটেই আসাম টাইপৰ আছিল। আজিৰ নিচিনা RCC নাছিল। আৰু সেই কাৰণে আজি প্ৰায় ৩৫-৪০ বছৰ হ'ল, সেইখিনিৰ মেৰামতি সকলোতে প্ৰয়োজন হৈছে, অকল কলাইগাঁৱতে নহয়। কৰাবত হয়তো টিন বেয়া হৈছে, ক'ৰবাত হয়তো দৰ্জা খিৰিকী বেয়া হৈছে। আমি এটা মেৰামতিৰ কাম পৰ্য্যায়ক্ৰমে লৈ আছো।

এইবাৰ স্বাস্থ্য উৎসৱ কৰিছিলো, স্বাস্থ্য উৎসৱৰ কাৰণে সকলো ডাটা বিলাক তেনেধৰণে আনিছো আৰু মাননীয় মুখ্যমন্ত্ৰীৰ লগত দুইবাৰ মান বহিলো। যিখিনি আন্তঃগাঁথনি বা অন্যান্য আমি পাইছো, সেইখিনিৰ কাৰণে এটা plan আমি ঠিক কৰিছো, যাতে আমি এই হস্পিতালখিনি পৰ্য্যায়ক্ৰমে ঠিক কৰিব পাৰো। কিন্তু মাননীয় সদস্য শ্ৰী দূৰ্গা দাস বড়ো ডাঙৰীয়াই যিটো কথা কৈছে, এইখন যিহেতু জৰুৰী অৱস্থাত আছে, আমি বিশেষভাৱে, বিশেষ পুঁজিৰে ইয়াৰ যিখিনি যাৱতীয় মেৰামতিৰ প্ৰয়োজন আছে, সেইখিনি আমি কৰি দিম।

**শ্ৰী দূৰ্গা দাস বড়ো, (কলাইগাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। লগতে মোৰ দ্বিতীয় প্ৰশ্নটো হৈছে যে ডাক্তৰ একেদিনাই নোলাই আমি সকলোৰে জানো, কিমান বছৰ লাগে। অসমত মেডিকেল কলেজ বৃদ্ধি হৈছে আৰু বৃদ্ধি হওক, জিলাই জিলাই হওক। আমি দৰং আৰু ওদালগুৰিত মেডিকেল কলেজ হোৱাটো বিচাৰিছো। বিশেষকৈ বিটিএডি অঞ্চলৰ ভেৰগাঁও মডেল হস্পিতাল আছে, তাত কোনো কৰ্মচাৰী নাথাকে, লিখিত উত্তৰত মন্ত্ৰী মহোদয়ে থকা বুলি দিছে, কিন্তু কৰ্মচাৰী তাত নাথাকে। এতিয়া আপুনি যিটো খৈৰাবাৰী ৩০ খন বিছনাযুক্ত হস্পিতালৰ কথা ক'লে, মই টিনৰ ফুটা মাৰিবলৈ বিধায়কৰ পুজিৰ পইচা দিছো। গতিকে আপোনাৰ কামখিনি যদি অলপ খৰতকীয়া হয়, তেতিয়া হ'লে তেওঁলোকে বৰ ভাল পাব আৰু ভেৰগাঁও মডেল হস্পিতাল আৰু কলাইগাঁও মডেল হস্পিতাল এই দুয়োখনে কৰ্মচাৰী নাথাকে। এই দুয়োখন হস্পিতালৰ কাৰণে মাননীয় অধ্যক্ষ মহোদয় আৰু ময়ো কথা শুনিব লাগে। তাৰ কাৰণে অলপ ব্যৱস্থা ল'ব নেকি?

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আজি যিটো উত্থাপন

কৰিছে, মই খুৰ বহলভাৱে ব্যাখ্যা নিদিও, অতি সোনকালে ইয়াত আমাৰ বিষয়া গৈ চলিব পৰা ব্যৱস্থা কৰি দিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ৮৩, সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং-৮৩

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি এলাও কৰে মোৰো এটা প্ৰশ্ন আছিল । আজি মোৰ এটা লিখিত প্ৰশ্নৰ উত্তৰত মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে যে ২২৭৯ জন হস্পিতাল মেনেজমেন্ট কমিটিয়ে তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীক লৈ অসমৰ বিভিন্ন চিকিৎসালয় সমূহ চলাই আছে যিহেতু সেই পদ সমূহৰ বাবে চৰকাৰী অনুমোদন নাই। তেখেত সকলক মেনেজমেন্ট কমিটিয়ে ট্ৰিটমেন্ট ফ্ৰী কৰি দিব নেকি যিহেতু টকাৰ অভাৱত তেওঁলোকক একো মাননী দিব পৰা নাই। দুই হাজাৰ টকাত চাফাই কৰ্মচাৰী, তিনি হাজাৰ টকাত ৱাৰ্ড বয় নিয়োগ কৰা হয়। গতিকে হস্পিতাল খিনি চাফ চিকুন বা ভালদৰে ৰাখিবৰ বাবে চৰকাৰে কিবা ব্যৱস্থা ল'ব নেকি যিহেতু এইটো গোটেই অসমৰ সমস্যা । আনকি কলাইগাঁওটো একেই সমস্যা হ'ব ।

**শ্ৰী কেশৱ মহন্ত, (স্বাস্থ্য বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যিটো বিষয় উত্থাপন কৰিছে সেই বিষয়টো যিকোনো ঠাইত গলেই আমিও মুখামুখী হওঁ। আমাৰ পি এইচ ই বা মিনি পি এইচ ই ৰ পৰা ধৰি পৰিচালনা সমিতিয়ে তাত যিসকল লোকক এনগেজ কৰিছে, তেওঁলোকক সেইখন চ'চাইটিৰ টকাৰে পাৰিতোষিক দিয়ে । এইটো মেডিকেল ক'লেজতো আছে । যিহেতু মেডিকেল ক'লেজ বিলাকৰ ইনকাম বেছি গতিকে তাত তেওঁলোকে পাৰিতোষিক অলপ বেছিলৈ অৰ্থাৎ সাত ৰ পৰা আঠ হাজাৰ পৰ্য্যন্ত পায় । কিন্তু ৰিক্ৰুইটমেন্ট পলিচিত এই বিষয়টো জড়িত কৰিব পৰা অৱস্থাত নাই। এই কথাটো আমি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া দৃষ্টি গোচৰ কৰিছো যাতে তেওঁলোকৰ বাবে কিবা ব্যৱস্থা কৰিব পৰা যায়। টেকনিকেল ষ্টাফ হ'লে বেলেগ কথা কিন্তু বাকী ষ্টাফৰ ক্ষেত্ৰত আসুবিধা হ'ব। তথাপি তেওঁলোকক কিন্তু সকাহ দিবৰ বাবে আমি চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ৮৩

**শ্ৰী যোগেন মোহন, (ৰাজহ বিভাগৰ মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ পালো। চৰকাৰৰ বিচাৰ বিবেচনা কমি গ'ল নেকি কাৰণ আমি দেখিছো যে বানপানী হওঁতে চৰকাৰৰ আঢ়ৈ হাজাৰ টকাৰ বাবে কেন্দ্ৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰিছিল কিন্তু মাত্ৰ প্ৰশ্নটো আছিল যে ফুল ডেমেজৰ ক্ষেত্ৰত কিমান টকা দিয়া হয় আৰু ফুল ডেমেজৰ ক্ষেত্ৰত এক লাখ বিশ হাজাৰ দিয়া হয় । পাৰ্চিয়েল ডেমেজৰ ক্ষেত্ৰত আমি চাৰি হাজাৰ টকাকৈ পাওঁ। মোৰ প্ৰশ্নটো হৈছে এই যে টকাৰ তাৰতম্যটো আপোনালোকৰ টকাৰ নাটনি হোৱাৰ কাৰণে হৈছে নেকি ? কিয়নো এজন মানুহৰ এতিয়া ঘৰ ঠিক কৰোটে পঞ্চাশ হাজাৰ টকা লাগিব । আপুনি ফুল ডেমেজৰ কাৰণে তিনি লাখ আৰু পাৰ্চিয়েল ডেমেজৰ বাবে তিনিলাখ দিব নোৱাৰিব । সেয়েহে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যাতে প্ৰেক্টিকেল চাৰ্ভে কৰি পইচা দিয়াৰ ব্যৱস্থা কৰিব লাগে যিহেতু এতিয়া বস্তু বাহানিৰ যথেষ্ট দাম বাঢ়িছে। দ্বিতীয়তে প্ৰশ্নটো আছিলে কৰিমগঞ্জত দেখিছো যে পাথাৰকান্দিৰ বিধায়কে সদায় কৈ আছে যে তাত ৰহিঙ্গীয়া লোক আছে। গতিকে তাত যদি ৰহিঙ্গীয়া লোক আছে আমি উলিয়াব লাগিব। মই যেতিয়া প্ৰশ্ন কৰিছিলো যে পাথাৰকান্দিৰ বনাঞ্চল এৰিয়াত ৰহিঙ্গীয়া লোক

আছে নে নাই তেতিয়া চৰকাৰে উত্তৰ দিলে যে কোনো ৰহিঙ্গীয়া লোক নাই । মোৰ কথাটো হ'ল যে বাৰে বাৰে যে বিধায়ক জনে কৈ থাকে এইখিনি পলিটিকেল স্থান নেকি ? ন'হলে আপোনালোকৰ উত্তৰটো যদি হয় তেন্তে এইটো স্পষ্ট কৰি দিয়ক । তৃতীয়তে কৰিমগঞ্জত অপঘাট জনিত কাৰণত মানুহৰ যে মৃত্যু হৈ আছে তাৰ বাবে এক্সগেচিয়া এছ ডি আৰ এফ নৰ্মচ মতে টকাতো পাব লাগে কিন্তু কিছুমানে টকাটো পাইছে আৰু কিছুমানে পোৰা নাই । গতিকে এই ক্ষেত্ৰত চৰকাৰৰ স্থিতিটো কি মই জানিব বিচাৰিছো ।

**শ্ৰী যোগেন মোহন, (ৰাজহ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি যিবিলাকক এক্সগ্ৰেছিয়া এছ ডি আৰ এফ নৰমচ্ ৰ মতে ফুল ডেমেজ বা পাৰ্চিয়েল ডেমেজৰ টকা বিলাক দিওঁ সেইয়া কেন্দ্ৰীয় চৰকাৰৰ গাইড লাইন মতে দিওঁ । যোৱা ১০ অক্টোবৰ ২০২৩ চনৰ কেন্দ্ৰীয় চৰকাৰৰ নটিফিকেশ্যন মতে আগতে ফুল ডেমেজৰ ক্ষেত্ৰত ৯৫১০০ দিয়া হৈছিল আৰু সেইটো এক লাখ বিশ হাজাৰলৈকে বঢ়াই দিয়া হ'ল আৰু সেই নটিফিকেশ্যন মতেহে আমি টকাখিনি দিব লাগিব কাৰণ অসম চৰকাৰৰ এই ক্ষেত্ৰত নিজাবৰীয়াকৈ গাইডলাইন নাই । অৱশ্যে স্পেচিয়েল ডেমেজৰ ক্ষেত্ৰ মুখ্যমন্ত্ৰীৰ ৰিলিফ ফাণ্ডৰ পৰা যেনে ঘৰ, দোকান ইত্যাদি জ্বলিলে সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আছে। মাননীয় বিধায়ক জনে সোধা প্ৰশ্নৰ উত্তৰত কৈছো যে এক লাখ বিশ হাজাৰ টকা প্লেইন এৰিয়াত আৰু এক লাখ ত্ৰিশ হাজাৰ টকা হিল্‌চ এৰিয়াত দিয়াৰ ব্যৱস্থা আছে আৰু ফুল ডেমেজৰ ক্ষেত্ৰত আমি চেভাৰেলি বুলি শব্দ এটা ৰাখিছো । আমাৰ চাৰ্কোল অফিচত এখন টাস্ক ফৰ্চ, ডি ডি এম এ আছে। জিলা উপায়ুক্ত তাত সম্পূৰ্ণ কতৃত্ব দিয়া থাকে আৰু তেওঁলোকে সেইটো এপ্ৰোভ কৰিব পাৰে। সেইমতে যোৱাবাৰ এনেকুৱা ধৰণৰ কেছ বেছি হোৱা কাৰণে আৰু বিধায়ক সকলে নিজে ভিজিত কৰাৰ কাৰণে কোনো খেলিমেলি নোহোৱাকৈ আমি নিখুদ ভাৱে ক্ষতিপুৰণ দিবলৈ সক্ষম হৈছে। পকীঘৰৰ পাৰ্চিয়েল ক্ষতিৰ বাবে চাৰি হাজাৰ ৰ পৰা ছয় হাজাৰ পাঁচশ লৈ কনভাৰ্ট কৰা হৈছে আৰু কেঁচা ঘৰৰ ক্ষেত্ৰত চাৰি হাজাৰ কৰা হৈছে । যোৱাবাৰ দিল্লীৰ এখন মিটিংত অসম চৰকাৰৰ ফালৰ পৰা আমি এটা প্ৰপোজেল দিছিলো যে মাজত এটা শ্লেব লাগে যিহেতু আমি টকাটো ফুলকৈও দিব নোৱাৰো আৰু পাৰ্চিয়েল ভাৱে দিলেও তেওঁলোকৰ সমস্যা সমাধান নহয় । হয়তো এনেকুৱা এটা শ্লেব পৰৱৰ্ত্তী বৈঠকত বিবেচনা কৰিব পাৰে আৰু গাইডলাইন অহাৰ লগে লগে আমি সেইটো কৰাৰ ব্যৱস্তা কৰিম । আমাৰ যিহেতু পইছাৰ অভাৱ হোৱা নাই আৰু এছ ডি আৰ এফ ফাণ্ডৰো যথেষ্ট পইছা আছে ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নগাঁওৰ দাৰিগজিত প্ৰাইড ইষ্ট কোম্পানীৰ নামত পঞ্চাশ বিঘা উন্নৈশ লেচা দুই কঠা ভূমি আৱন্টন দিয়া হৈছিল, এইটো বসুন্ধৰা- ১ নে বসুন্ধৰা- ২ ত পৰিছে । আমি দেখিছো যে মুখ্যমন্ত্ৰীৰ পৰিয়ালে ১০ কোটি টকা ৰাজ সাহাৰ্য্য পাইছে আৰু তেওঁ কৈছে যে যদি প্ৰমান হয় তেওঁ ৰাজনৈতিক জীৱন ত্যাগ কৰি দিব। গতিকে এইটোৰ ওপৰত তদন্ত হ'ব লাগে বুলি আমি দাবী কৰিছো ।............সদনত হুলস্থুল.......

**মাননীয় অধ্যক্ষঃ** ...ক্ৰমশ...প্ৰশ্ন নং ৮৪। শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**(সদনত গণ্ডগোল)**

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)**ঃ চাৰ enquiry লাগে।

**শ্ৰীপীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** আমি মাটি কিনিলে নিয়মত কিনো। শ্ৰীঅখিল গগৈ ডাঙৰীয়াই মাটি দখল কৰে।

**(সদনত গণ্ডগোল)**

**মাননীয় অধ্যক্ষঃ** Please.

**(সদনত গণ্ডগোল)**

**মাননীয় অধ্যক্ষ ঃ** Please. বহক.

**(সদনত গণ্ডগোল)**

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ চাৰ, আমাক তদন্ত লাগিব। মুখ্যমন্ত্ৰীয়ে ১০ কোটি টকা ৰাজসাহার্য্য পাইছে।

**(সদনত গণ্ডগোল)**

**মাননীয় অধ্যক্ষ ঃ** The House is adjourned for 30 minites.

**(মাননীয় অধ্যক্ষৰ আসনত মাননীয় উপাধ্যক্ষ উপবিষ্ট )**

**শ্ৰী ৰকিবুল হুছেইন,(চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই যিটো পইণ্ট অব অৰ্ডাৰ উত্থাপন কৰিব খুজিছো, সেইটো প্ৰপাৰ পইণ্ট অব অৰ্ডাৰ বুলি মই ভাৰিছো আৰু এই কথাখিনি যদি আমি সদন চলি থকা অৱস্থাত নকওঁ তেতিয়া মই ভাৱো যে Constitution ৰ বাহিৰত যাবলগীয়া অৱস্থা এটা হৈছে। সেইকাৰণে উপাধ্যক্ষ মহোদয়, মই দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে এইখন Constitution of India. এইখনৰ ভিত্তিত আমাৰ delimitation হ'ল। Parliament ত অনুচ্ছেদ ১৭০ মতে আমাৰ ইয়াত delimitation হ'ল। Delimitation ৰ ১৭৩ ত আছে ..

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ পইণ্ট অব অৰ্ডাৰটো কি?

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইটোৱেই পইণ্ট অব অৰ্ডাৰ। Constitution ৰ বিৰুদ্ধে আমি কোনো সিদ্ধান্ত ল'ব নোৱাৰো। সেইখিনিকে আপোনাৰ পৰা মাত্ৰ few second..

**মাননীয় উপাধ্যক্ষ ঃ** আজিৰ সদনত কোনটো disorder হৈছে যে যাৰ কাৰণে আপুনি যিটো পইণ্ট অব অৰ্ডাৰ আনিছে।

**শ্ৰী ৰকিবুল হুছেইন,(চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ক'লেহে গম পাব। এইটো Very much disorder,unconstitutional হৈছে। মই Constitution ৰ ধাৰা পঢ়ি দি এইটো যে very much related with point order, সদনখন যে out of order হৈছে মই আপোনাকে ক'ব খুজিছো। আপুনি পিছত কথাখিনি হয়নে নহয় চাব। এইখন Constitution of India. ১৭০ যিটো অনুচ্ছেদ আছে তাৰ (৩) ত স্পষ্টকৈ আছে যে-Up on the complition of each cencus the total number of seats in the Legislative Assembly of each states and the division of each state into trritorial constituency shall be re-adjustment তাৰ মানে delimitation by such authority and in susch manner parliament may be law determined ..........

**ড° অমিয় কুমাৰ ভুঁঞা, (বিহপুৰীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই বিষয়টোতো সদনত আলোচনা কৰিবলগীয়া বিষয় নহয়।

**শ্ৰী ৰকিবুল হুছেইন,(চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এইটো ৰিলেটেড বুলি কৈছো। মোক ক'বলৈ দিয়া নাই। উপাধ্যক্ষ মহোদয়, পাৰ্লিয়ামেণ্টৰ নিয়ম অনুযায়ী delimitation টো পাৰ্লিয়ামেণ্টে ইচ্ছা কৰিলে Election Commissioner ৰ দ্বাৰাও কৰিব পাৰে delimita-

tion Commission ও কৰিব পাৰে বা বেলেগ কমিশ্যনৰ দ্বাৰাও কৰিব পাৰে আৰু সেইকাৰণে আমাৰ delimitation টো হৈ গ'ল। আজিৰ delimitation ৰ কথা এইটোৱেই হ'ল যে মই ৫ বছৰৰ কাৰণে এটা Jurisdiction ৰ এজন এম এল এ। Constitution ত আহিছে যে provided that such re-adjustment তাৰ মানে provided that delimitation shall not effect re-presentation in the Legislative Assembly untill the dissolution of the then existing Assembly. যদি মোক এচেম্বলীখন dissolve নকৰে, তেতিয়া মোৰ সেই Jurisdiction ৰ পৰা কোনোৱে তাৰ পৰা আঁতৰাব নোৱাৰে। এইটো Constitution of India ই কৈছে যদি এইটো হয় তেতিয়া Un-Constitution হয় আৰু তেতিয়াহ'লে আমি সদনত Constitution ৰ বিৰুদ্ধে কথা কোৱা হ'ব। এইটো আমাৰ disorder হৈছে আৰু Constitution ৰ বিৰুদ্ধে যোৱা হ'ব। আমাৰ প্ৰশ্নটো হ'ল যে বিধায়ক সকলৰ Jurisdiction টো সলনি কৰিব নোৱা্ৰে। এটা সমষ্টিৰ মানুহে ৫ বছৰৰ কাৰণে নিৰ্বাচিত কৰিছে। এই ৫ বছৰ মই সেইখিনি ঠাইৰ বিধায়ক আৰু মই বেলেগ ফালে যাব নোৱাৰো। যদি মোক সেইখিনিৰ বাহিৰলৈ নিব খুজে তেতিয়া সেইটো অ-সংবিধানিক হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** সেইটো কৰিব নোৱাৰে আৰু নিয়াও নাই। এইটোক লৈ একো ৰিজ'লিউশ্যন ও লোৱা নাই।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, কালি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যিখিনি কথা কৈছে আৰু আজি বাতৰি কাকতত যিখিনি কথা আহিছে....

**মাননীয় উপাধ্যক্ষ ঃ** এইটো misinterpretation হৈছে। কালি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কথাখিনি মই ও শুনি আছিলো। যোৱা ৫ বছৰলৈ আমি য'ৰ পৰা জয়ী হৈ আহিছো, তাৰে বিধায়ক হৈ থাকিম।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ৫ বছৰলৈ আমি য'ৰ পৰা জয়ী হৈ আহিছো তাৰে বিধায়ক হৈ থাকিম। আমি ৫ বছৰলৈকে অকনমানো ইফাল-সিফাল হ'ব নোৱাৰো। মই মোৰ ভোট দিয়া মানুহখিনিৰে প্ৰতিনিধি। যেতিয়া আমাৰ delimitation ৰ দ্বৰা পুনৰ সমষ্টি নিৰ্ধাৰণ কৰা হ'ব, তেতিয়ালৈকে হ'ব। তেতিয়ালৈকে আমি আমাৰ সীমাৰ ভিতৰতে থাকিব লাগিব আৰু সকলো ধৰণৰ উন্নয়ণমূলক কাম সেইখিনি অঞ্চলৰে কৰিব লাগিব। তেতিয়ালৈকে আপোনাৰ চৰকাৰে আমাক কোনো ধৰণৰ অ-সংবিধানিক কামত লিপ্ত কৰিব নোৱাৰে। ......interruption........

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কথাখিনি misinterpretation কৰা হৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় ৰকিবুল হুছেইন ডাঙৰীয়াই ঠিক কথা কৈছে। ইয়াৰ ওপৰত আলোচনা হ'ব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া আমাৰ যিটো প্ৰচিডিং চলি আছে, সেইটো পেপাৰ কাটিংৰ ওপৰত চলি থকা নাই। আপুনি যদি পেপাৰ কাটিংৰ ওপৰত ক'ব বিচাৰে তাৰ এটা প্ৰক্ৰিয়া আছে। আপুনি তাত আনিব আৰু আলোচনা কৰিব।

**শ্ৰী ৰকিবুল হুছেইন,(চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই পেপাৰ কাটিংৰ ওপৰত কোৱা নাই। যোৱাকালি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা বক্তব্য দিছে। তাৰ ওপৰতহে কৈছো। মই কথাখিনি ভালকৈ বুজাব পৰা নাই। দৰকাৰ হ'লে কালিৰ প্ৰচিডিংত চাব পাৰে। মই শূন্যকালীন ঘণ্টাত অনা

নাই। ......interruption........

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি পইণ্ট অব অৰ্ডাৰ আনিছে। তাৰ বাবে মই অনুমতি দিছো। কিন্তু যিটো সদনত orderly নহয়। সেইটো মই দৃষ্টিগোচৰ কৰিছো। সেই কাৰণে তাৰ ওপৰত আৰু কোনো ধৰণৰ argument হ'ব নোৱাৰে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ কথাখিনি misinterpretation কৰা হৈছে। তেখেতে কৈছিল যে এইটোত যিহেতু ভাৰত চৰকাৰ বা ৰাষ্ট্ৰপতিৰ মোহৰ লাগিছে গতিকে সেইমতে আমি আমাৰ Administrative structure কৰিবলৈ বাধ্য। কিন্তু তেখেতে এইটোও কৈছিল যে আমি এতিয়াও অৰিজিনেল সমষ্টিৰে বিধায়ক। এগৰাকী মাননীয় সদস্যই সুধিছিল আৰু তেখেতে কৈছিল যে আমি গোটেই সমষ্টিতেই বিধায়কৰ পুঁজি দিব পাৰিম। গতিকে misinterpretation হৈছে। পৰৱৰ্তী নিৰ্বাচন হোৱালৈকে আপুনি আপোনাৰ সমষ্টিৰে বিধায়ক হৈ থাকিব আৰু আপোনাৰ বৰ্তামান সমষ্টিৰ বিধায়ক হিচাবে কাম কৰিব পাৰিব । তেওঁ আকৌ কৈছে যে ভাৰত চৰকাৰৰ নিৰ্বাচন আয়োগে যিহেতু delimitation কৰিলে সেয়েহে আমি ইয়াৰ ওপৰত একো আলোচনা কৰিব নোৱাৰো।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ হোৱা পিছৰ যিখিনি কথা সেইখিনি সংবিধানত আছে। স্বাক্ষৰ হোৱাৰ পিছত যিখন সদন থাকে, সেইখন যদি Dissolve নকৰে, আনকি ৮২ অনুচ্ছেদত আছে যে এম পি সকলৰ Jurisdiction ও সেইটোৰেই থাকিব। আজি যদি মই কিবা কাৰণত পদত্যাগ কৰো মোৰ আগৰ সমষ্টি মতে নিৰ্বাচন হ'ব। ......interruption........ মই কেৱল বিধায়ক পুঁজিৰ বাবে বিধায়ক হোৱা নাই। মই সমষ্টিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে বিধায়ক হৈছো। মই এই কথাখিনিয়েই দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

**শ্ৰী পিযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, Administrative structure কেনেকৈ হ'ব এইটো চৰকাৰে কৰে। কিন্তু এইটো ঠিক যে আপুনি আপোনাৰ পুৰণা সমষ্টিৰে বিধায়ক হয়। কালি এটা কথা কোৱা হৈছিল যে এটা চি ডি পি অ' অফিচত ৩ টা সমষ্টি লগলাগি আছে আৰু আপোনালোকেই তেনেকৈ চলাই আছে। গতিকে সেইটো চৰকাৰে কৰিব পাৰে।

**মাননীয় উপাধ্যক্ষ ঃ** এইটো ঠিক যে ২০২৬ চনলৈ আপুনি চামগুৰি সমষ্টিৰ বিধায়ক আৰু মই বোকাজান সমষ্টিৰ বিধায়ক হৈ থাকিম, তাত কোনো সন্দেহ নাই। ইয়াক লৈ বেছি controversy আনিব নালাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি, নাজিৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা delimitation ৰ ওপৰত এটা পইণ্ট অব অৰ্ডাৰ আছিল।

**মাননীয় উপাধ্যক্ষ ঃ** কওঁক।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি ,নাজিৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱাকালি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ক'লে যে যিহেতু ছীল-মোহৰ লাগিলে, গতিকে আমি সেইমতেই যাব লাগিব। কিন্তু যি delimitation হৈছে, তাত মই দেখা পাইছো যে মোৰ সমষ্টিৰ চাৰিওফালে মোৰেই পঞ্চায়ত আছে। কিন্তু তাৰ মাজৰ পৰা এখন উঠাই আনি বেলেগ সমষ্টিলৈ লৈ গৈছে। যিটো আইন সংগত হোৱা নাই। এইক্ষেত্ৰত যদিও ৰাষ্ট্ৰপতিৰ ছীল মোহৰ লাগিছে, কিন্তু যিহেতু delimitation নীতি-নিয়ম মতে হোৱা নাই, সেই কাৰণে অসম চৰকাৰক আপোনাৰ যোগেদি

প্রস্তাৱ দিব বিচাৰিছো যে যিখিনি বিসংগতি হৈছে, সেইখিনিক ৰাষ্ট্ৰপতি মহোদয়ৰ অফিচালৈ পঠিয়াই শুদ্ধ কৰি দিয়ে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ,(সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোৰ এটা পইণ্ট অব অৰ্ডাৰ আছিল। সেইটো অতি গুৰুত্বপূৰ্ণ আৰু আজিৰ প্ৰশ্নৰ লগত জড়িত। আজি মোৰ ৮৪ নং তৰাযুক্ত প্ৰশ্নৰ উত্তৰ মাননীয় ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰীয়ে দিছে। যোৱা বানপানীৰ ভয়াৰহতাৰ কথা সকলোৰে জানে। বৰপেটা জিলাৰ মোৰ সমষ্টিৰ সৰুক্ষেত্ৰী মৌজা, পাকামৌজা, বেতবাৰীমৌজাৰ আদিৰ কথা সকলোৰে জানে। তাৰ ওপৰত মই প্ৰশ্ন কৰিছিলো যে ভয়াৰহ বানপানীৰ কৱলত পৰা বহু গাওঁৰ পশুধন আৰু মানুহ সাহাৰ্য্যৰ পৰা বঞ্চিত কৰা হৈছিল নে নাই? তেওঁলোকে উত্তৰ দিছিল যে কাকো বঞ্চিত কৰা হোৱা নাই। বানপানীৰ সময়ত মই নিজে আৰু অফিচাৰ সকল ঘূৰিছিলো আৰু মিডিয়াৰ মানুহ ও ঘূৰিছিল। সকলোৰে জানে যে বহু ঠাই যেনে-....

**মাননীয় উপাধ্যক্ষ ঃ** সদনখন disorder হৈছে। আপুনি পইণ্ট অব অৰ্ডাটো কওঁক। ......in-terruption........ আপোনাক মই পইণ্ট অব অৰ্ডাৰটো ক'বলৈ ক'লো। এতিয়া বহক। এতিয়া Short notice. দেৱৱেত শইকীয়া ডাঙৰীয়াই কওঁক। ......interruption........

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** -----হুলস্থুল----মই ruling বিচাৰিছো। কিয় মানুহখিনিৰ লগত এনেকুৱা বঞ্চনা কৰা হ'ল? এনেকুৱা অশুদ্ধ উত্তৰ দিয়াৰ বাবে লগতে বানপীড়িত সকলক বঞ্চিত কৰাৰ প্ৰতিবাদত মই সদন ত্যাগ কৰিলো। ----হুলস্থুল-----

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি আসনৰ পৰা clear কৰি লওঁক যে এতিয়া সদনত কি চলি আছে।

**মাননীয় উপাধ্যক্ষ ঃ** Point of order চলি আছিল। এতিয়া short notice question hour চলি আছে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বিধান সভাৰ পৰিচালনাৰ নিয়মাৱলীৰ মতে যেতিয়া মূল সময় পাৰ হৈ যায়, তেতিয়া আমি short notice question কৰিব পাৰো। মই বহু কেইটা short notice question কৰিছিলো, আমাৰ question submission date শেষ হোৱাৰ পাছতো। মাত্ৰ এটা পাইছো। ভৱিষ্যতে আৰু বেছি পালে পাম। মোৰ এটা প্ৰশ্ন আছিল গুৱাহাটীৰ শিলসাঁকোত হোৱা উচ্ছেদৰ ওপৰত। মই তাৰ দাগ পৰিৱৰ্তন হৈছে নেকি সেইখিনিও সুধিছিলো। আগতে থকা দাগ কাটি নতুন দাগ দিছে নেকি?এই প্ৰশ্নটো নাহিল। গতিকে এইটো যি উত্তৰ আহিছে মই satisfied, কিন্তু মোৰ বাকী প্ৰশ্নখিনিৰ উত্তৰ দিলে ভাল পাম। এতিয়া মাননীয় গৃহ আৰু নগৰ পৰিৱক্ৰমা মন্ত্ৰী ডাঙৰীয়াই অনুগ্ৰহ কৰি জনাবনে? ৪ চেপ্তেম্বৰৰ মোৰ তাকৰীয়া প্ৰশ্ন নং ৩৪ ৰ উত্তৰটো পাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব বিচাৰিব নে lay কৰিব?

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই উত্তৰ দি আছো। Short notice ত প্ৰশ্ন এটা আমি পাইছিলো। তাৰ উত্তৰ দিয়া হ'ল। তাৰ পিছতো যদি আপুনি কিবা জানিব

বিচাৰে, মই কম। শিলসাঁকোৰ বিষয়ে আপুনি যিটো short notice question আনিছিল---- interruption -----

**শ্ৰী ৰকিবুল হুছেইন,(চামগুৰি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, short notice question ত পৰিপূৰক নাথাকে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই নিয়ম অনুসৰিহে কৰিলো। গতিকে মোক আৰু ইয়াৰ পৰিপূৰক দিয়াৰ প্ৰশ্ন নাই। মই পৰিপূৰকখিনি বেলেগকৈ আপোনাক উল্লেখহে কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি শ্ৰী দেৱব্ৰত শইকীয়া, lay কৰি দিলে উত্তৰটো পাব।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই ৪-৫ টা অতি গুৰুত্বপূৰ্ণ short notice question দিছিলো, কিন্তু ইয়াত বোলে এটা সিদ্ধান্ত লোৱা হ'ল যে এজনৰ মাত্ৰ এটাহে লোৱা হ'ব। গতিকে মোৰ বহু কেইটা গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰশ্নসমূহ গ্ৰহণ কৰা নহ'ল সময় কম বুলি। মোৰ এটাই প্ৰশ্ন গ্ৰহণ কৰিছে -(a) Is it true that appointment of 18 employees have been cancelled on 31-08-2023? (b) If yes, what is the reason behind it?(c) Was the recruitment process not fair? Who is responsible for that?(d) What is the stand of the Government against the persons involved in the sellection process?

**মাননীয় উপাধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছে তাৰ উত্তৰ মই ইতিমধ্যে সদনৰ মজিয়াত ৰাখিছো। এই ক্ষেত্ৰত যি ১৮ গৰাকী চাকৰি প্ৰাৰ্থীয়ে নিম্নতম প্ৰয়োজনীয় অৰ্হতা নথকা সত্বেও স্বাস্থ্য বিভাগৰ কেইটামান কাৰিকৰী পদত প্ৰাৰ্থীত্ব আগবঢ়াইছিল। এই পদ সমূহৰ ভিতৰত প্ৰধানতঃ Dental Technician,Laboratory Techinician আদি আছে।ইয়াৰোপৰি dresser, driver, dietician, physiotherapist আদি পদ আছে। সংখ্যাসমূহ নিম্নোক্ত ধৰণৰ -Black-smith এজন, Dental technician ৪ জন, Dresser এজন, driver এজন, dietician এজন, Lab Technician ৮ জন, physiotherapist এজন, photographer এজন। মুঠ পদ ১৮ টা। এই কথাটো উল্লেখনীয় যে এই সকলৰ অৰ্হতা নথকা বাবে যিহেতু যোগদান কৰিবলৈ দিয়া নহ'ল গতিকে তেওঁলোক চৰকাৰৰ কৰ্মচাৰী নহয়, প্ৰাৰ্থীহে।

স্বাস্থ্য বিভাগৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ সময়ত আবেদনকাৰী সকলোকে পৰীক্ষাত বহাৰ সুবিধা দিয়া হৈছিল। তথাপি বিভিন্ন পৰ্য্যায়ত তেওঁলোকৰ অৰ্হতা আদি পৰীক্ষা কৰাৰ ব্যৱস্থা ৰখা হৈছিল যাতে কোনো অৰ্হতা নথকা প্ৰাৰ্থীয়ে চুড়ান্ত পৰ্য্যায়ত যোগদান কৰিব নোৱাৰে। এনে ব্যৱস্থা থকা বাবে এই অৰ্হতাহীন প্ৰাৰ্থী সকলক ধৰা পেলাব পৰা গ'ল আৰু চুড়ান্ত পৰ্য্যায়ত যোগদান কৰিবলৈ দিয়া নহ'ল। উদাহৰণস্বৰূপে Dental technician পদত প্ৰাৰ্থীত্ব আগবঢ়োৱা

প্ৰাৰ্থী কেইগৰাকীৰ Dental technician ৰ অৰ্হতাই নাছিল। তেনেদৰে Electrician course ৰ diploma ধাৰী এজনে blacksmith পদত আবেদন কৰিছিল আৰু blacksmith পদত তেওঁৰ অৰ্হতা নাছিল। একেদৰে Lab technician পদবীটো প্ৰাইভেট তথা অন্যান্য অস্বীকৃতিপ্ৰাপ্ত প্ৰতিষ্ঠানৰ পৰা লোৱা certificate থকা বাবে তেওঁলোককো চূড়ান্ত পৰ্য্যায়ত যোগদান কৰিবলৈ দিয়া নহ'ল। গতিকে তেওঁলোক চৰকাৰী কৰ্মচাৰী নহয়, চাকৰি প্ৰাৰ্থীহে আছিল। স্বাস্থ্য বিভাগৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ সময়ত আবেদনকাৰী সকলোকে পৰীক্ষাত বহাৰ সুযোগ দিয়া হৈছিল। তথাপি বিভিন্ন পৰ্য্যায়ত তেওঁলোকৰ অৰ্হতা আদি পৰীক্ষা কৰাৰ ব্যৱস্থা ৰখা হৈছিল যাতে কোনো অৰ্হতা নথকা প্ৰাৰ্থীয়ে চূড়ান্ত পৰ্য্যায়ত যোগদান কৰিব নোৱাৰে। এনে ব্যৱস্থা থকা বাবেই অৰ্হতা নথকা প্ৰাৰ্থী সকলক ধৰা পেলাব পৰা গ'ল। গতিকে স্বাস্থ্য বিভাগৰ যিটো হৈ যোৱা নিযুক্তি সেইটো সম্পূৰ্ণভাৱে নিকা আছিল। অৰ্হতা নোহোৱা বাবেহে বাকীখিনি প্ৰাৰ্থীয়ে চূড়ান্ত পৰ্য্যায়ত যোগদান কৰিব নোৱাৰিলে।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, short notice question ৰ মোৰ প্ৰথম প্ৰশ্নটো হ'ল- ৩১ আগষ্ট ২০২৩ তাৰিখৰ পৰা বৰ্তমানলৈকে অসমত ভয়াৱহ বিদ্যুৎ কৰ্তনৰ কাৰণসমূহ কি কি? ৩১ আগষ্ট ২০২৩ তাৰিখৰ দিনা অসমত বিদ্যুতৰ সৰ্বমুঠ pick load demand কিমান আছিল আৰু সেই সময়ত বিদ্যুৎ যোগান কিমান আছিল আৰু সেইদিনা অসম চৰকাৰৰ নিজা বিদ্যুৎ উৎপাদন কৰা প্ৰতিষ্ঠানসমূহৰ মুঠ উৎপাদন কিমান আছিল? ৩১ আগষ্ট ২০২৩ তাৰিখৰ পৰা ৭ চেপ্তেম্বৰ ২০২৩ তাৰিখলৈ ৰাজ্যখনত গড়ে কিমানকৈ load shedding কৰা হৈছিল? অসম চৰকাৰৰ নিজা বিদ্যুৎ উৎপাদনকাৰী প্ৰতিষ্ঠান সমূহৰ সৰ্বমুঠ উৎপাদন ৭ চেপ্তেম্বৰ ২০২৩ তাৰিখে কিমান আছিল আৰু ২০১৬ চনৰ ১০ মে' ত কিমান আছিল? ৭ আগষ্ট ২০২৩ তাৰিখে অসমৰ বিদ্যুৎ মাচুল কিমান আছিল আৰু ২০১৬ চনৰ ১০ মে'ৰ পৰা এতিয়ালৈকে APDCL য়ে কিমান বিদ্যুৎ মাচুল বৃদ্ধি কৰিলে আৰু প্ৰতিবাৰ বৃদ্ধিৰ নিৰিখ জনাব। কেতিয়াৰ ভিতৰত অসম চৰকাৰৰ প্ৰতিশ্ৰুতি অনুসৰি ২৪ ঘন্টাৰ বিজুলী যোগান নিশ্চিত হ'ব? তাৰবাবে চৰকাৰে কি কি আঁচনি লৈছে?

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**Smti. Nandita Gorlosa, Minster :** Hon'ble Deputy Speaker sir, I think on the first day itself, there was a huge discussion and hon'ble Chief Minster has replied it to the public. Even though the question has come it has been given to you.You may get the answers whatever has been asked for. Thank you.

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ------

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** ক) Short Notice question অনেক গুলো করেছিলাম কিন্তু মাত্র একটি সিলেক্ট করা হল। বিশেষ করে আমি মন্ত্রী মহোদয়ের কাছ

থেকে জানতে চাই বিগত ১০ আগষ্ট বিদ্যুত বিভাগের গাফিলতির জন্য করিমগঞ্জ জেলার সিঙ্গারিয়া বাজার এলাকার আলমখানি গ্রামের দেবজ্যোতি রায়ের পিতা লিডুমনি রায় নামের একজনের প্রাণ যায়, এই বিষয়ে সরকার অবগত কি? বিদ্যুত বিভাগের পক্ষ থেকে এই ভুক্তভোগী পরিবারকে আর্থিক সাহায্য দেওয়ার পরিকল্পনা আছে কি?

খ) বিগত এক সপ্তাহ থেকে আজ পর্যন্ত peak hours এ সমগ্র করিমগঞ্জ জেলায় ও করিমগঞ্জ শহরে বিদ্যুত পরিষেবা মারাত্মক ভাবে ব্যহত হয়েছে। এই বিষয়ে সরকার অবগত কি? যদি অবগত থাকেন তবে এই বিষয়ে কি পদক্ষেপ নিয়েছেন? peak hours অসমে কতটুকু বিদ্যুতের প্রয়োজন? বিকেল ৫ টা থেকে রাত ১২ টা পর্যন্ত কোন কোন জেলায় কত ঘণ্টা বিদ্যুত দেওয়া হয় এবং তাতে কত ইউনিট বিদ্যুত খরচ হয় তার জেলা ভিত্তিক তালিকা আছে কি?

**মাননীয় উপাধ্যক্ষ ঃ** মিনিষ্টাৰ প্লিজ ।

**শ্ৰীমতী নন্দিতা গাৰ্লোছা, (মন্ত্ৰী, শক্তি ইত্যাদি)** ঃ - Hon'ble Deputy Speaker Sir, The answer has been laid on floor but as we give brief on the accident has been asked, inquiry is going on and if we find that there has been any lapse from our department we will check and take the action . Thank you so much .

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ- মই মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে কৈছো যে, এতিয়া কি চলি আছে বুলি প্ৰশ্ন কৰা হৈছে । এডজৰ্নমেন্ট মোশ্যন কৰাৰ পিচত কোৱেশ্যন আৱাৰৰ যেতিয়া টাইম শেষ হৈ গ'ল , অটোমেটিকেলী কোৱেশ্চন আৱাৰ ইছ অভাৰ । "এইটোত কি চলি আছে " বুলি কোৱাটো উচিত নহয় । মই নিজেই 'চৰ্ট নোটিছ কোৱেশ্চন' আৰম্ভ কৰিছো । এইটো কোৱাৰ পিছতো চেয়াৰক চেলেঞ্জ কৰাটো উচিত নহয় আৰু এটা কথা মই মাননীয় সদস্যসকলৰ জ্ঞাতাৰ্থে কৈছো ৰুলিঙে হওঁক বা অপোজিশ্যনেয়েই হওঁক আপোনালোকে ৰুলখন অলপ পঢ়িব , নপঢ়াকৈ চেয়াৰক চেলেঞ্জ নকৰিব কাৰণ আমিও হাউচ চলাবলৈ যথেষ্ট কষ্ট কৰিব লাগে। গণ্ডগোল কৰাটো বহুত সহজ কিন্তু হাউচটো কন্ট্ৰ'ল কৰাটো কিমান কষ্ট এইটো আপোনালোকেও বুজিব লাগে । Rules of procedure and conduct of business, Assam Legislative Assembly. Rule- 48- যিটো short question hour ত সময় দিয়া হৈছে । যেতিয়া কিছুমান কোৱেশ্চন member সকলৰ থাকি যায়, Starred-বা- Unstarred ত নাহে তেতিয়া সেই কোৱেশ্চনবিলাক তেখেতসকলক এটা ডিভাইচত আনিবলৈ আমি সুবিধা কৰি দিছো যাতে সদস্যসকলে ইয়াত সুধিব পাৰে । ৰুলত ক্লিয়েৰলী লিখা আছে- The Speaker may direct the answer to be laid on the table of the House.-- I can direct the minsiter to lay the answer তাত কোৱেশ্চন কৰিছে - it is not Good , Parliamentary system ত Chair ক challege কৰাটো উচিত নহয় । ৰুল- ৪৮- তাত লিখা আছে -In other aspect, the procedure to the short notice question shall be the same as for only a question for oral answer, with such modification as the speaker may consider necessary or convenient. --- I can allowed the minister to speak or reply or I can instruct the minister to lay down the answer. এইবিলাক বস্তু অলপ পঢ়িব, পঢ়িহে চেয়াৰক কথা ক'ব।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি)ে ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাক ধন্যবাদ দিছো । আৰু এটা কথা মই আপোনাক কৈছো - আপুনি ইয়াত উপাধ্যক্ষ, মইও বহুদিনৰ ইয়াত সদস্য কিন্তু আপুনি এটা বৰ উল্লেখনীয় কথা কৈছিল । আমাৰ পৰম্পৰাগত ভাবে চৰ্ট নোটিচত চাপ্লিমেন্টৰী হোৱা নাছিল। সেইদিনা মোক আপুনি দেখুৱাইছিল যে চৰ্ট নোটিছতো চাপ্লিমেন্টৰী কৰিব পাৰে । এইটো চাবপাৰে। - provided further that the member in whose name such short notice questions stands may asked to supplimentary only and other member are may asked one supplimentary each only, if permitted by the Speaker মই আনুষ্ঠানিকভাবে আপোনাক ধন্যবাদ জনাইছো যে এই কথাখিনি আপুনি দৃষ্টিগোচৰ কৰি দিছে।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** উপাধ্যক্ষ মহোদয়, বিৰোধীয়েতো চেয়াৰক চেলেঞ্জ কৰিয়ে থাকে । আজি এজন ট্ৰেজাৰী বেঞ্চৰ সদস্য কৰিলে বাবে তেওঁলোকে হাত চাপৰি বজাই দিলে ।

--হুলস্থূল--

আপোনালোকে দিনটোত তিনিবাৰমান চেলেঞ্জ কৰে ।

**মাননীয় উপাধ্যক্ষ ঃ** প্লিছ-- প্লিছ বহক ।

**শ্ৰীকেশৱ মহন্ত, মন্ত্ৰী, (স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** উপাধ্যক্ষ মহোদয়, মই অতি বিনম্ৰতাৰে ক'ব বিচাৰো আমি ২০--২২ বছৰ ইয়াত দেখিছো যে কোৱেশ্বন আৱাৰ শেষ হোৱাৰ লগে লগে যদি শ্বৰ্ট নোটিছ কোৱেশ্বন থাকে এইটো পাৰ্ট অৱ দ্যা কোৱেশ্বন আৱাৰ । চৰ্ট নোটিছ কোৱেশ্বন ইমিডিয়েট হয়। লেইড কৰক বা থিয় হৈ কওঁক সেইটো স্পীকাৰ মহোদয়ৰ ডিচক্ৰিশ্যন , স্পীকাৰে চৰ্ট নোটিছ কেনে ধৰনে পৰিচালনা কৰে কৰিব পাৰে। উপাধ্যক্ষ মহোদয় আজি আপুনি মহামান্য আসনৰ পৰা কৈছে , আমাক গাই দিবলৈ ক'লে গাই দিওঁ , স্পীকাৰ ছাৰে লে কৰিব দিলে লে কৰি দিম । কিন্তু চৰ্ট নোটিছ কোৱেশ্বন - কোৱেশ্বন আৱাৰ শেষ হোৱাৰ মাজত কেনেকৈ পইন্ট অৱ অৰ্ডাৰ আহিব পাৰে ? পইন্ট অৱ অৰ্ডাৰৰ নামত এটা বিস্তৃত আলোচনা হৈ আছে । হাউচখন কি অৰ্ডাৰত আছে নেকি ? মই সেই কাৰণে কৈছো অধ্যক্ষ ডাঙৰীয়াৰ পাৰ্মিশ্যন নোহোৱাকৈ কেনেকৈ পইন্ট অৱ অৰ্ডাৰ আনিলে ?

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** উপাধ্যক্ষ মহোদয় আমি পইন্ট অৱ অৰ্ডাৰ পাৰ্মিশ্যন লৈয়েই কৰিছো । আপুনি ক'লেই নহ'ব । ৰুলত আছে আমি নিয়মমতেই কৰিছো ।

বাদ-বিবাদ- যুক্তি তৰ্ক

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** উপাধ্যক্ষ মহোদয় , এটা আইটেমৰ পিচতহে এটা পইন্ট অৱ অৰ্ডাৰ দিব পাৰে । ইয়াত চিঞৰি ৰণ জিকিব নালাগে ।

**শ্ৰীকেশৱ মহন্ত, (মন্ত্ৰী, স্বাস্থ্য ও পৰিয়াল কল্যাণ) ঃ** উপাধ্যক্ষ মহোদয়, ঠিকেই কৈছে, পইন্ট অৱ অৰ্ডাৰ দিব পাৰি কিন্তু আপুনি কৈ থকাটো যদি কৰবাত ডিচঅৰ্ডাৰ হৈছে, বেলেগ খন সংবিধান মেলি ব্যাখ্যা হৈছে ইয়াত, বেলেগ ধৰণে এটা চাবজেক্ট আহিছে যিটো হয়তো জিৰো আৱাৰ চলাৰ আগতে স্পীকাৰে পাৰ্মিট কৰিব পাৰে। কিন্তু কোৱেশ্বন আৱাৰৰ মাজত কেনেকৈ ইয়াত ইমান বিস্তৃতভাবে আলোচনা হ'ল ?

**শ্ৰীৰকিবুল হুচেইন, (চামগুৰি) ঃ** পইন্ট অৱ অৰ্ডাৰ - যদি কনষ্টিটিউশ্যনৰ এগেইনষ্টে কিবা হয় - পইন্ট অৱ অৰ্ডাৰ দি দৃষ্টিগোচৰ কৰিব পাৰে উইথ দ্য পাৰ্মিশ্যন অৱ দি চেয়াৰ । কোৱেশ্বন ৰিলেটেড

পইণ্ট অৱ অৰ্ডাৰহে কৰিব নোৱাৰে । যদি সদন ঠিকমতে চলি থকা নাই - ডিচঅৰ্ডাৰ হ'লে - কনষ্টিটিশ্যনৰ এগেইনষ্টে যদি গৈছে দৃষ্টিগোচৰ কৰি অৰ্ডাৰত আনিবলৈ পইন্ট অৱ অৰ্ডাৰ কৰিব পাৰি ।

**মাননীয় উপাধ্যক্ষ ঃ** আৰু এটা কথা মই সদস্যসকলক অনুৰোধ কৰিব বিচাৰিছো - সদনৰ যিটো পৰম্পৰা আৰু গৰিমা সেইটো বছাই ৰখাটো সকলোৰে দায়িত্ব । কেৱল অধ্যক্ষ বা উপাধ্যক্ষই হাউচটো অৰ্ডালী চলোৱাটো দায়িত্ব নলয় । বাৰে বাৰে উঠি মাজতে কথা ক'বলৈ যায় আৰু কথা ক'বলৈ নিদিলে বাহিৰত চোচিয়েল মিডিয়াত ক'ব যে আমাক ক'বলৈ দিয়া নাই । এইটো হাউচত কথা কোৱা নিয়ম নহয়। এটা আইটেম শেষ হ'ব আৰু নেক্সট আইটেমৰ মাজত আপুনি পইন্ট অৱ অৰ্ডাৰ আনিব পাৰে । এনেয়ে মন গ'লে কথা কোৱাটো সংসদীয় পৰম্পৰা নহয় । গতিকে সেইখিনি আপোনালোকেও চেষ্টা কৰিব আৰু আপোনালোকে ৰুলখিনি পঢ়িব। কোন ঠাইত কি ক'ব লাগে সেইটো আপোনালোকে ডিভাইচত আনিব মই ক'বলৈ দিম । মই যেতিয়ালৈ এই চকীখনত থাকো আই উইল জাষ্টিফাইড। কিন্তু আপোনালোকে আনৰুলিং চিটুৱেশ্যন হাউচত কৰিব তেতিয়া মই ৰুল মতে যিখিনি একশ্যন ল'ব লাগে সেইখিমি মই ল'ম। সদনত বহি বহি কথা কোৱাৰ নিয়ম নাই। ডু এণ্ড ডন্ট এই ৰুলবুকৰ আমাৰ যিটো প্ৰচিডিঙত আছে আপোনালোকে অহাবাৰ বিধান সভা বহাৰ আগতে পঢ়ি আহিব কি কৰিব লাগে , কি কৰিব নালাগে । তাৰ ওপৰত বেচ কৰিহে কথা ক'ব। ৰুলিঙে হওঁক বা অপোজিশ্যনেই হওঁক মোৰ কাৰণে সকলো সমান। তাৰ কাৰণে মই আজি আপোনালোকক জনাইছো যে এই বিধান সভাখন সুন্দৰভাবে চলিব লাগে । আপোনালোকৰ সহযোগতহে বিধান সভাখন চলিব গতিকে সকলোৰে সহযোগ কৰাটো মই বিচাৰিছো । মই ও শিকিহে আহিছো - খুৱ ভাল পলিটিচিয়েন নহয়- পলিটিকেল বেক গ্ৰাউণ্ডৰ পৰা অহা নাই । কিন্তু পলিটিকেলী মই বহু চাউণ্ড - মই জানো । কিন্তু আমিও কিছু বস্তু ষ্টাডী কৰিব লাগে। গতিকে আপোনালোকে সহায় কৰিলেহে ৰাইজৰ উপকাৰ হ'ব । আমি ৰাইজৰ বাবেহে ইয়াত বহিছো । এতিয়া শূন্যকালীন ঘন্টা ... ।

**শ্ৰীফণীভূষণ চৌধুৰী, (বঙাইগাঁও) ঃ** উপাধ্যক্ষ মহোদয়, মই দেখিছো পইন্ট অৱ অৰ্ডাৰৰ ক্ষেত্ৰত কি হৈছে প্ৰয়োজনীয় অপ্ৰয়োজনীয় সকলো বিষয়তে পইন্ট অৱ অৰ্ডাৰটো আনি দিয়ে। এই বিষয়টো পইন্ট অৱ অৰ্ডাৰ কোনবিলাক বিষয়ত কেতিয়া কোন মুহূৰ্তত, কি পৰিস্থিতিত, কি পৰিৱেশত পইন্ট অৱ অৰ্ডাৰ দিব পাৰে এই বিষয়টো অলপ ইয়াতে তাৰমানে Chairৰ পৰা এইটো ব্যখ্যা কৰাটো ভাল। আপোনালোকে এইটো Chairৰ পৰা ব্যখ্যা কৰক কাৰণ ইয়াতে এগৰাকী সদস্যই তেওঁৰ প্ৰশ্ন এটা কিবা হৈছে সেইটোকে আকৌ পইন্ট অৱ অৰ্ডাৰ কৈছে। সেইটো পইন্ট অৱ অৰ্ডাৰ হ'ব নোৱাৰে।

**মাননীয় উপাধ্যক্ষ** ঃ মইতো accept কৰা নাই পইন্ট অৱ অৰ্ডাৰ বুলি।

**শ্ৰীফণীভূষণ চৌধুৰী, (বঙাইগাঁও) ঃ** নহয়, নহয়, তেওঁ কৈয়ে আছে নহয় ছাৰ।

**মাননীয় উপাধ্যক্ষ** ঃ মই raise কৰিছো। পইন্ট অৱ অৰ্ডাৰটো raise কৰিছো।

**শ্ৰীফণীভূষণ চৌধুৰী, (বঙাইগাঁও) ঃ** তেওঁ আপোনাৰ ৰুলিংটো মানি লোৱা নাই। তেওঁ আপোনাৰ ruling মানি কোৱা নাই এতিয়া যাৰ কাৰণে treasury branch ৰ পৰা এইটো react কৰিব লগীয়া হৈছে। সেই কাৰণে মই আপোনাক বিনম্ৰকৈ অনুৰোধ কৰিছো আজিৰ দিনটোত মোৰ ৩৭ বছৰ ৮ মাহ ২০ দিন হ'ল মোৰ এই বিধান সভাৰ ভিতৰত। এই ৩৭ বছৰ ৮ মাহত মই দেখিছো ইয়াত এতিয়া এনেকুৱা হৈছে যে পৰম্পৰা বহুত ভংগ হৈ গ'ল। এই বিধান সভাৰ মজিয়াত পৰম্পৰা

বহুত ভংগ হৈ গ'ল। এই পৰম্পৰা বোৰ আমি ৰক্ষা কৰিব লাগিব। নহ'লে ইয়াৰ পিছত যি সকল আহিব তেখেত সকলে কিন্তু আমাক দোষাৰোপ কৰিব। এই কাৰণে আপোনাক বিনম্ৰ অনুৰোধ কৰিছো যাতে point of order টোৰ এটা সকলো বিষয় যাতে আনিব নোৱাৰে কোন বিলাক বিষয়ত পইন্ট অৱ অৰ্ডাৰ আনিব পাৰে এই বিষয়টো আপোনালোকে আলোচনা কৰিব। বিষয়ত এটা এটা ৰুলিং দিব।

**মাননীয় উপাধ্যক্ষ ঃ** পইন্ট অৱ অৰ্ডাৰটো সকলোৰে জানে। House টো যদি orderত নাই then you can point out. Houseত যদি আপোনাৰ যদি আহে point or order টো তো আমি নুশুনাকৈ এইটো পইন্ট অৱ অৰ্ডাৰ হয়নে নহয় how can we judge. সেই কাৰণে আমি point of orderটো শুনাৰ পিছতহে কম এইটো point of order. I turned down, it is not point of order. এতিয়া মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই ।

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এটা zero hour matter আছিল। এইটো আহিছেনে নাই জনালে ভাল পাম। আমি আজি ৰাতিপুৱা এটা submit কৰিছিলো প্ৰতিদিন আৰু দৈনিক জনমভূমি বাতৰিৰ ভিত্তিত।

**মাননীয় উপাধ্যক্ষ ঃ** আৰম্ভ কৰিছিলে মাত্ৰ, ইমান impatient কিয় ? বহকচোন। আপোনালোকৰ আহি থাকিব সময়ত, serially আহিব আপোনাৰ যেতিয়া নম্বৰ আহিব আপোনাক আমি কম।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই শূণ্যকালীন ঘন্টাত এটা গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো আৰু এই বিষয়টো হৈছে যে মিছ্ন বসুন্ধৰা ভূমি পট্টা প্ৰদানৰ নামত চৰম প্ৰতৰণা চৰকাৰৰ। কাৰণ এই বাৰ্তাটোৱে এটা ৰাইজৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে। যাতে এই বিভ্ৰান্তিটো নহয় তাৰ বাবে মই আজি এই সদনত এই বিষয়টো উত্থাপন কৰিব লৈছো। আৰু ইয়াক অনুমোদন জনোৱাৰ কাৰণে মই ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, যে বিজেপি নেতৃত্বাধীন চৰকাৰ খন অহাৰ পিছত আমাৰ অসমত যি সকল খিলঞ্জীয়া পৰিয়াল আছে এই খিলঞ্জীয় পৰিয়াল সমূহে আজি বহু বছৰৰ পৰা ভূমি পট্টা পোৱাৰ পৰা বিৰত হৈ আছিল। অৱশ্যে মাজে মাজে special land advisory বহুৱাই কিছু সংখ্যকক দিয়া হৈছিল যদিও বহু পৰিয়াল এই ভূমি পট্টা পোৱাৰ পৰা বঞ্চিত হৈ আছিল। কিন্তু ২০১৬ চনত বিজেপি নেতৃত্বাধীন চৰকাৰ হোৱাৰ পিছত এই চৰকাৰ খনে যি ধৰণে ব্যৱস্থা গ্ৰহণ কৰিছে ইয়াৰ ফলত অসমৰ বঞ্চিত যি সকলে ভূমিৰ পট্টা পোৱা নাছিল সেই পৰিয়াল সমূহে পট্টা পোৱাৰ কাৰণে সক্ষম হৈছিল। মই যদি চাও তেতিয়াহলে এই খন চৰকাৰে বসুন্ধৰা এক আৰু বসুন্ধৰা দুই ইতিমধ্যে কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে। আৰু বসুন্ধৰা একত আমি দেখিছো যে প্ৰায় ৮ লাখ পৰিয়ালে এই ক্ষেত্ৰত আবেদন কৰিছিল। আৰু এই ৮ লাখৰ ভিতৰত ৬ লাখ পৰিয়ালৰ নিষ্পত্তি কৰা হৈছে। ঠিক তেনেকৈ বসুন্ধৰা ২ তো প্ৰায় ১৩৪৫০০০ পৰিয়ালে আবেদন কৰিছে। এতিয়া ইয়াৰে প্ৰায় ৫০ শতাংশ নিষ্পত্তি হৈছে আৰু ৫০ শতাংশ ইতিমধ্যে এই কামটো সফল ৰূপায়ণৰ দিশত আগবাঢ়ি গৈছে। এতিয়া বিশেষভাৱে অসমৰ যি সকল মানুহে ভূমি পট্টা পোৱা নাছিল যি খিলঞ্জীয়া মানুহে ভূমি পট্টা পোৱা নাছিল আজি এই খিলঞ্জীয়া পৰিয়াল সমূহে আজি ভূমি পট্টা পাবলৈ সক্ষম হৈছে। মই বিশেষভাৱে গুৱাহাটী মহানগৰীৰ যি সকল পৰিয়ালে আজি বহু বছৰ ধৰি বসবাস কৰি আছে আজি এই পৰিয়াল সমূহেও বহু বছৰৰ পৰা ভূমি পট্টা পোৱাৰ পৰা বঞ্চিত হৈ আছিল। কিন্তু এতিয়া এটা কথা হৈছে যে যি সকলক ভূমিৰ পট্টা

দিয়া হ'ব সেই সকলক ৬ টা কাৰণ ধৰি দিয়া হৈছে। যি বিলাক খাছ মাটি বা যিবিলাক চিলিঙত যোৱা মাটি এই মাটিখিনিত যি সকলে বহু বছৰ ধৰি বসবাস কৰি আছে সেই সকলক ভূমিৰ পট্টা দি থকা হৈছে। তাৰোপৰি আমাৰ VGR PGRত যি সকল মানুহে বসবাস কৰি আছে সেই পৰিয়াল সমূহেও যি বিলাক ভি জি আৰ, পি জি আৰত মানুহই বসবাস কৰিছে যিমান খিনি মাটিত বসবাস কৰিছে সেই মাটিৰ সমানে যদি কৰবাত চৰকাৰী বিকল্প মাটি দিয়ে তেনেহলে সেই ভি জি আৰ পি জি আৰ মাটিতো ভূমি পট্টা দিয়াৰ ব্যৱস্থাটো গ্ৰহণ কৰিছে। এইটো এটা সুন্দৰ পদক্ষেপ। ঠিক তেনেকৈ আমাৰ গুৱাহাটী মহানগৰীত আমি দেখা পাইছো যে আমাৰ পাহাৰত দেবোত্তৰৰ মাটি আছে। এতিয়া এই দেবোত্তৰৰ যিখিনি মাটি আজি প্ৰায় ৬০/৭০ বছৰ ধৰি মানুহে বসবাস কৰি আহিছে। এতিয়া দেবোত্তৰত যি সকল পৰিয়ালে বসবাস কৰি আছে সেই সকল পৰিয়ালকো যাতে দেবোত্তৰ মাটিত বসবাস কৰা পৰিয়াল বিলাকেও যাতে ভূমিৰ পট্টা পাই তাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় আমাৰ ৰাজহ বিভাগৰ মন্ত্ৰীক মই অনুৰোধ জনাইছো। তাৰোপৰি আমাৰ পাহাৰ অঞ্চলত আজি বহু মানুহে আজি বন বিভাগৰ মাটিতো বসবাস কৰি আছে। কিন্তু পাহাৰৰ মাটিত এতিয়া আমাৰ প্ৰশ্নটো হৈছে যে কোনখিনি ৰাজহ বিভাগৰ মাটি আৰু কোনখিনি বন বিভাগৰ মাটি এইখিনি কিন্তু এতিয়ালৈকে চিনাক্তকৰণ হোৱা নাই। গতিকে মই অনুৰোধ জনাইছো আপোনাৰ জৰিয়তে মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক, যে প্ৰথমতে পাহাৰ অঞ্চলত কোন খিনি ৰাজহ বিভাগৰ মাটি আৰু কোনখিনি বন বিভাগৰ মাটি এইখিনি প্ৰথমতে identification কৰিব লাগে। চিনাক্তকৰণ কৰি যি সকলে ৰাজহ বিভাগৰ চৰকাৰী মাটিত বসবাস কৰি আছে সেই সকলক ভূমিৰ পট্টা দিয়াৰ ব্যৱস্থা কৰিব লাগে। কাৰণ ইতিমধ্যে online যোগে যি সকলে ৰাজহ বিভাগৰ চৰকাৰী মাটিত বসবাস কৰি আছে সেই সকলকো মাটিৰ পট্টা দিয়াৰ ক্ষেত্ৰত এইটো এটা পেণ্ডিং অৱস্থাত ৰখা হৈছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে তেখেতে ৰাজহ বিভাগৰ চৰকাৰী যিখিনি মাটি আছে সেই খিনি মাটিৰ পট্টা দিয়াৰ কাৰণে ব্যৱস্থা ল'ব লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** হ'ব। শেষ কৰক।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** ২ মিনিট লাগিব। লগতে Forest ৰ মাটিত যি সকলে বসবাস কৰি আছে সেই বসবাস কৰা বেছিভাগ মানুহে জনজাতীয় মানুহ। এতিয়া এই জনজাতীয় মানুহখিনিক ২০০৬ চনত কেন্দ্ৰীয় চৰকাৰে এখন Forest Act কৰা হৈছিল, যিটো Act ত আমাৰ যি সকল জনজাতীয় মানুহে Forest land ত ঘৰ কৰি আছে সেই সকলক পট্টা দিয়াৰ ব্যৱস্থা কিন্তু সেই আইন খনত সন্নিবিষ্ট হৈ আছে। গতিকে মই অনুৰোধ জনাইছো যে জনজাতীয় সকলে থকা যি খিনি মাটি আজি বন বিভাগৰ আছে, সেই সকলক মাটিৰ পট্টা দিব লাগে আৰু অজনজাতীয় খিনিক যি সকলে আজি ৬০/৭০/৮০ বছৰ ধৰি আজি পাহাৰ অঞ্চলত বসবাস কৰি আছে প্ৰয়োজন হলে কিছু আইন সংশোধন কৰি যদি Forest আইন খন আমাৰ ৰাজ্য চৰকাৰে সংশোধন কৰাত অসুবিধা আছে কেন্দ্ৰীয় চৰকাৰে কৰে, ৰাজ্য চৰকাৰে সেই পৰামৰ্শখিনি কেন্দ্ৰীয় চৰকাৰক দি Forest land ত থকা মাটি খিনিকো যাতে পট্টা দিয়াৰ ব্যৱস্থা কৰে তাৰ বাবে মই আপোনাৰ জৰিয়তে ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মোহন, ভূমি আৰু ৰাজহ মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় বিধায়ক, মাননীয় জ্যেষ্ঠ বিধায়ক ৰমেন্দ্ৰ কলিতা ডাঙৰীয়াই গুৱাহাটীৰ এটা বাতৰিক লৈ তেখেতে এটা

স্পৰ্শকাতৰ বিষয় উত্থাপন কৰিছে। গুৱাহাটী মাটি পট্টাকৰণ সংগ্ৰাম সমিতি, আৰু এখন সমিতি আছে ভূমি অধিকাৰ সংগ্ৰাম সমিতি। কিন্তু এই পট্টাকৰণ সংগ্ৰাম সমিতিয়ে তেওঁলোকে এটা বাতৰি কৰিছে যে মিশ্যন বসুন্ধৰাত গুৱাহাটীত প্ৰায় ৮৫ হাজাৰ পৰিয়ালকে ধৰি ৰাজ্যখনৰ বিভিন্ন অঞ্চলত ৪০ লাখ পট্টাহীন পৰিয়ালে আজিও ভূমি অধিকাৰৰ পৰা বঞ্চিত হৈ আছে। মাননীয় উপাধ্যক্ষ মহোদয় এই থলুৱা খিলঞ্জীয়া যি সকল পট্টাহীন মানুহ বা ভূমিহীন, এই ভূমিহীন ব্যক্তিক তেওঁলোকে যদি চৰকাৰী নিয়ম নীতিৰ মাজেৰে আহে, প্ৰকৃত তথ্যপাতি দিয়ে আমি মিশ্যন বসুন্ধৰা -২ ত চৰকাৰী মাটিত তেওঁলোকক গুৱাহাটীত ১কঠা ৫ লেচা অন্যান্য চহৰত ১ কঠা ১০ লেচা আৰু গাওঁ অঞ্চলত ১ বিঘা ঘৰৰ কৰণে আৰু ৭ বিঘা খেতিৰ কাৰণে দিয়া এখিন বসুন্ধৰাত চলি আছে। এই মিশ্যন বসুন্ধৰা -২ ত আপোনালোকে জানি সুখী হ'ব যে ১৩ লাখ ৩৯ হাজাৰৰ ওপৰত যি ব্যক্তিয়ে আবেদন কৰিছে। প্ৰায় ১০ লাখে আবেদনকাৰী হৈছে তেনেকুৱা চৰকাৰী খাচ আৰু চিলিং চৰকাৰী মাটিত আবেদন কৰা। কিন্তু এতিয়া আমাৰ এই প্ৰক্ৰিয়াটো এটা পৰ্য্যায় পাইছেহি প্ৰায় ৫০ শতাংশ dispose হৈছে। আৰু এই কথা আমি এই কাৰণে ক'ব বিচাৰিছো, আমি কাকো পট্টা দিয়া নাই। এতিয়া তেওঁলোকে কৈছে, বঞ্চিত হৈছে, কিন্তু আমি পট্টা দিব পৰা অৱস্থালৈ অহাই নাই। আমাৰ এতিয়া SDLAC বিলাক বহিছে। জিৰ' টেগিং হৈছে। তেওঁৰ পট্টা নাই বুলি প্ৰমান হ'ব লাগিব, ফিল্ডত কোনডোখৰ মাটিত, চৰকাৰী মাটিত আছে, তেওঁৰ ঘৰ আছে নে, তেওঁৰ পৰিয়াল আৰু চাৰ্কোল অফিচৰ লাট মণ্ডল বা গাওঁ প্ৰধান বা চৰকাৰী বিষয়াৰ লগত জিৰ' টেগিং হ'ব, যি ঠাইত তেওঁ আছে, তাৰ পিছত তথ্যবিলাক যেতিয়া SDLAC ত আলোচনা হয়, গোটেই কথাখিনি SDLAC বহিব। SDLAC ৰ সন্মানীয় বিধায়ক সকল তাতে মেম্বাৰ। তেওঁলোকে ধুনীয়াকৈ জানিব যে কোনখিনি মানুহ ভূমিহীন মানুহ। যেতিয়া সেই প্ৰপোজেইলখিনি তাতে পাছ হ'ব, তাৰ পাছত আকৌ মাননীয় গাৰ্জেন মন্ত্ৰী সকলে এটা verification কৰিব। গাৰ্জেন মন্ত্ৰী সকলে verification কৰাৰ পাছতহে চৰকাৰে পট্টা দিয়াৰ কামটো আৰম্ভ কৰিব। নবেম্বৰ মাহত আমি চিৰিয়েলি পট্টা দিয়াৰ কামটো কৰাৰ বাবে আমি চৰকাৰে সিদ্ধান্ত কৰিছো। এই যে ১০ লাখ মানুহে বসুন্ধৰাত আবেদন কৰিছে, চৰকাৰী মাটি খাচ বা চিলিংত থকা তাত কিমান মানুহ আমাৰ eligible আহে। আৰু বহুতো ক'ৰবাৰ মাটিত কোনোবাই আবেদন কৰিছে, কোনোবাই জলাশয়ত কৰিছে, যিবিলাকত আমি settle দিব নোৱাৰো। পাহাৰৰ মাটিত আমি settle দিব নোৱাৰো। VGR, PGR, ত আমি দিব নোৱাৰো। কিন্তু দুটা category ত আমি দিব পাৰিম। যি সকলে পূৰ্বৰ চৰকাৰৰ দিনত MNP পট্টা পাইছিল আৰু কোনোবা চৰকাৰে যদি erosion affected মানুহক ক'ৰবাত settle দিছিল। এই দুয়োটা category ৰ যদি VGR, PGR,ক'ৰবাত বহি আছে। কাগজ যদি তেওঁলোকে দিব পাৰে তেওঁলোকে পাব। বাকী বহুত মানুহৰ কাগজ পত্ৰ নাই, তাৰ কাৰণে কিছু বাকী থাকিব। আমি আৰু যদি বসুন্ধৰা -৩ যদি উলিয়াওঁ, নতুনকৈ policy হ'ব, Land Revenue Act, ১৮৮৬ আছে, ২০১৯ Land Policy আছে। সুন্দৰকৈ খিলঞ্জীয়া ভূমিহীন মানুহক ভূমি পট্টা দিবৰ বাবে এইবিলাক Policy আমাৰ প্ৰতিখন বিধান সভাতে আলোচনা হয়, আৰু প্ৰতিখন কেবিনেটত আলোচনা কৰি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এই খিলঞ্জীয়া ভূমিহীন মানুহক পট্টা দিয়া এই মিশ্যনবসুন্ধৰা প্ৰক্ৰিয়া সুন্দৰকৈ চলি আছে। ১৪ নবেম্বৰতহে আমি গ'ম পাম যে কিমানখন জিলাত কোনটো চাৰ্কোলত কিমান ভূমিহীন মানুহে পট্টা পালে। সেই তথ্যখিনি আমি ১৪ নবেম্বৰত যেতিয়া SD LAC ত পাছ হৈ অভিভাৱক মন্ত্ৰীয়ে verification কৰি যেতিয়া চাবমিট কৰিব চৰকাৰক, তেতিয়া আমি দিব পাৰিম। গতিকে আইন আমি জানো যে

আইনৰ উৰ্দ্ধত আমি কোনো নহয়। আমি চৰকাৰে চৰকাৰী মাটি ৰক্ষণাবেক্ষণ দিয়াৰ ক্ষেত্ৰত আমি চৰকাৰ দায়বদ্ধ। আমি পাহাৰীয়া মাটি জলাশয় বা VGR, PGR, বা Forest মাটি, Forest মাটিৰ Forest Dwellers Act, আছে। Hon'ble Forest Minister আছে, তেওঁ এইবিলাক Forest Dwellers Act, ৰ মতে এইবিলাক ২০০৫ আগত যি বহি আছিল, ST/SC সেইখিনি তেওঁলোকক settlement দিয়াত, allotment দিয়াত সেইটো ফৰেষ্টে কৰিব। এতিয়া আমাৰ কথা হ'ল যে এই কথাখিনিত আমাৰ সন্মানীয় বিধায়ক সকলে সহযোগ কৰিলে, যি যি ঠাইত এইতয়া তেখেত সকলে পাহাৰত থকা হওঁক বা সমতলত থকা হওঁক, তেওঁলোক ভূমিহীন, তেওঁলোকে আবেদন কৰক, যোগ্যতা অনুসৰি চৰকাৰৰ নিয়মৰ ভিত্তিত আমি যেনেধৰণৰ Criteria নিৰ্দ্ধাৰণ কৰিছো, চৰকৰাৰে পলিচি নিৰ্দ্ধাৰণ কৰিছে, সেই মতে পৰিলে তেওঁলোকে পাবই। এই পলিচিত নাপালেও আমি ইয়াৰ পিছত বসুন্ধৰা ৩.০ আৰম্ভ হ'ব। তাতো পাব পাৰে, গতিকে আমাৰ ১৩ লাখ ৩৯ হাজাৰ dispose হোৱাৰ পাছত আমি ইয়াত ৬ টা কেটেগুৰিত আমি এইটো ধৰি লওঁক আমি ট্ৰাইবেল্ড মানুহক ৫০ বিঘালৈকে দিব পাৰো, এইখন বসুন্ধৰাত। আমি এনেধৰণে special cultivation সকলক, যিসকলে চাহখেতি কৰি আছে, চৰকাৰী মাটিত তেওঁলোকক আমি ৩০ বিঘালৈকে ১০০০ টকাৰ প্ৰিমিয়ামত আমি দিব পাৰো। ঠিক তেনেধৰণে কফি হওঁক বা ৰাবাৰ খেতি হওঁক, তেওঁলোকেও special cultivation ত পৰে তেওঁলোককো আমি এনেধৰণে SDLACৰ যোগেদি এই বসুন্ধৰাত আনি মাটি দিব পাৰো। ইয়াৰ লগে লগে আমাৰ বসুন্ধৰা ২.০ যিখিনি আমি লৈছো যে যিখন আমাৰ Tenant Act আছে, ১৯৭১ ৰ সেই Act ৰ অধীনত যিখিনি দখল কৰি আছে তেওঁলোকেও আবেদন পাব। আৰু আপোনালোকক জনাইছো যে মিশ্যন বসুন্ধৰা 1st phase ত তাত আমি সন্মানীয় বিধায়কজনে জানে আমি ৮ লাখৰ ওপৰত আবেদন আহিছিল, ৬ লাখ dispose হ'ল। কিন্তু সেই খিনিও আমাৰ phase -২ ত খোলা দিয়া আছে। বৰ্তমানলৈকে RTPS Portal ত১৫ লাখৰ অধিক আবেদন হৈ গ'ল। তেওঁলোকে তাত আবেদন কৰিব পাৰে, তাত ৯ টা service আছিল , name correction, area correction. এনেধৰণৰ ৯ টা service আমি দিছিলো। unnecessary যদি পট্টাত মানুহৰ নাম থাকে, এইখিনি correction, এনকুৱা ধৰণৰ আমি ৯টা service দিছিলো। allotment certificate ৰ পৰা permanent পট্টা। এই বিলাক service আমি দি আছো, আৰু এইখিনি এতিয়াও খোলা আছে। বসুন্ধৰা -১ খিনিও আমি খোলা দিছো, বসুন্ধৰা -২ আৰু যিখিনি বসুন্ধৰা -২ত স্পেচিয়েল চাৰ্ভিচ আমি দিছো, সেইখিনিয়ে মই ভাবো যে থলুৱা খিলঞ্জীয়া মানুহৰ, ভূমিহীন মানুহৰ পট্টা পোৱাত যথেষ্ট সহায় কৰিব। আমি এতিয়ালৈকে আৰু আমি তেওঁলোকৰ এই মাটি পট্টাকৰণ সংগ্ৰাম সমিতিক আমি অনুৰোধ কৰিছো যে সকলোৰে সহযোগ কৰক। যিখিনি প্ৰকৃতাৰ্থত ভূমিহীন মানুহ আছে, তেওঁলোকে পোৰ্টেলৰ যোগেদি আবেদন কৰক। এইটো normal process টো চলি আছে, এইটো হ'ল special drive, মিশ্যন বসুন্ধৰা -২। কিছুমান মাটিৰ allotment, normal process টো ল'ব পাৰে। কিন্তু তাত আমি যি ৰেহাই দিছো, ৰেহাইটো নাপাব। Rural area ত ৫শ টকা প্ৰিমিয়াম প্ৰতি বিঘাত দিব লাগে। তাত আমি ১শ টকা কৰি দিছো। আৰু চহৰতো, যিটো গুৱাহাটীত চলি আছিল ১০০ শতাংশ RCC, ৩০ শতাংশ Assam type, আৰু ১০ শতাংশ বাঁহৰ ঘৰ থাকিলে চৰকাৰক প্ৰিমিয়াম দিব লাগে। সেই প্ৰিমিয়ামৰ পৰিমানটো আমি সমগ্ৰ অসমৰ চহৰলৈ আমি এইবাৰ এইখিনি অনুমোদন জনাইছে কেবিনেটে আৰু তেওঁলোকে সেইটো পৰিমানতে দিব পাৰিব। যদি RCC

ঘৰ আছে ১০০ শতাংশ, Assam type থাকিলে ৩০ শতাংশ, আৰু বাঁহৰ ঘৰ থাকিলে১০ শতাংশ দিব লাগে। সেইখিনি প্ৰিমিয়াম দিব পাৰি ধুনীয়াকৈ বুজাই দিয়ক ৰাইজক আৰু আমি সংগ্ৰাম সমিতি আৰু ভূমি অধিকাৰ সংগ্ৰাম সমিতিয়ে আমি পাহাৰত থকাখিনিক স্পেচিয়েল, যিহেতু পাহাৰত ভূমিস্খলন হৈছে, যোৱাবাৰ ৫ জন মানুহ মৰিছে, আমি তেনেকুৱাত যদি settle দিওঁ, কালিলৈ চৰকাৰেহে দায়বদ্ধ হ'ব। চৰকাৰে settlement দিছে, মানুহ মৰিছে, এইবিলাক আমি পাহাৰ ৰক্ষা কৰিব লাগিব, প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰিব লাগিব। যিটো গ্ল'ৱেলত যিটো climate chang আহিছে,সেই কাৰণে জলাশয় আদিক ৰক্ষণা বেক্ষণ দিয়াটো চৰকাৰৰ দায়িত্ব আছে। কিন্তু য'ত চৰকাৰী চিলিং চাৰপ্লাছ আছে, Govt. খাচ লেণ্ড আছে, তাত আমাৰ এই খিলঞ্জীয়া ভূমি পুত্ৰক মাটি দিব পৰা ব্যৱস্থা আছে, এইটো প্ৰক্ৰিয়া চলি থাকিব, সন্মানীয় বিধায়কজনে এইখিনি ক্ষেত্ৰত তেওঁৰ সমষ্টিৰ যিখিনি ব্যক্তি আছে, সভা সমিতি পাতি এই সজাগতাটো আনি দিলেই বহুখিনি আমি এই সমস্যাৰ পৰা মুক্ত হ'ব পাৰিম ধন্যবাদ.

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্য আশ্ৰাফুল হুছেইন।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, শূণ্যকালীন ঘন্টাৰ এটা point of order কৰো এইখিনিতেই। মহোদয়,শূণ্যকালীন ঘন্টাটো বিশেষকৈ ১৯৬০ চনৰ পৰা সংসদত আছে। আৰু এইটো বিশেষকৈ বিৰোধীক দিয়া হয়। প্ৰথমটো শাসক পক্ষৰ মিত্ৰজোটক দিয়া হ'ল, আৰু দ্বিতীয়টো অন্য এটা দলক দিয়া হৈছে।

মাননীয় উপাধ্যক্ষ মহোদয়, Zero Hour টো বিশেষকৈ হাতীচুঙৰ পৰা সংসদত আছে। এইটোত বিশেষকৈ বিৰোধীক দিয়া হয়। মাননীয় উপাধ্যক্ষ মহোদয় প্ৰথমটোৱেই শাসক পক্ষৰ মিত্ৰজোঁটক দিয়া হ'ল আৰু দ্বিতীয়টো অন্য এটা দলক দিয়া হৈছে। আমি তৃতীয় যিটো সৰ্ববৃহৎ বিৰোধী দল আজি ৰাতিপুৱাই আমি এখন কাগজ দিছিলো। য'ত আমি কৈছিলো যে 'অসমীয়া প্ৰতিদিন' আৰু 'দৈনিক জনমভূমি'ৰ ১৫ তাৰিখৰ 'পত্নীৰ ভূমি কেলেংকাৰীক লৈ মুখ্যমন্ত্ৰী আৰু মুখ্যমন্ত্ৰীৰ পত্নীৰ ভূমিকাক লৈ সভা স্থগিত প্ৰস্তাৱ' এইটোৰ ওপৰত। মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী দলৰ বাবেই question hour আৰু zero hour বুলি সকলোৱে কয়। এতিয়া আমাক question hour ত দিয়া হোৱা নাই, চৰ্ত নটিচত দিয়া হোৱা নাই গতিকে এই বিষয়টো উত্থাপন কৰিবলৈ আমাক দিয়াৰ বাবে মই আপোনাক অনুৰোধ জনাইছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** এইটো বহুত গুৰুত্বপূৰ্ণ বিষয় আছিল গতিকে এই বিষয়টো দিলে ভাল আছিল।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, খিলঞ্জীয়া মানুহক ভূমিপট্টা দিয়তো কংগ্ৰেছৰ কাৰণে সৰু কথা নেকি?

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ............................

**সদনত হুলস্থুল..................................................**

**মাননীয় উপাধ্যক্ষ ঃ** সদন ৫ মিনিট সময়ৰ বাবে স্থগিত ৰখা হ'ল।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী অশ্ৰাফুল হুছেইন।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মুখ্যমন্ত্ৰী পৰিয়ালৰ ভুমি কেলেংকাৰীটো কি

হ'ল, তাৰ তদন্ত লাগে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মুখ্যমন্ত্ৰী পৰিয়ালৰ ভূমি কেলেংকাৰীৰ, তাৰ তদন্ত লাগে।

....... সদনত হুলুস্থুল.....

**মাননীয় উপাধ্যক্ষ** ঃ আপোনালোকৰ শূণ্যকালীন ঘন্টাত আছে, মই সময় দিম আপোনালোকক কৰলৈ।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ ভূমি কেলেংকাৰীটো আগত লাগে।

**মাননীয় উপাধ্যক্ষ** ঃ please বহক।

....... সদনত হুলুস্থুল.....

**মাননীয় উপাধ্যক্ষ** ঃ House is adjourned for 15th minutes.

House resumed after 15th minutes.

Hon'ble Deputy Speaker on the Chair.

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী পৰিয়ালৰ ভূমি কেলেংকাৰীটো কিবা এটা কৰিব লাগে।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি সদন গোটেই দিনটোৰ কাৰণে ত্যাগ কৰিলো।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ দাবী উত্থাপন কৰিব নিদিলে, সেই কাৰণে আমি সন্মলিত ভাৱে "on protest" এই সভা কক্ষ গোটেই দিনটোৰ বাবে ত্যাগ কৰিছো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা)** ঃ "on protest" এই সভা কক্ষ গোটেই দিনটোৰ বাবে ত্যাগ কৰিছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মুখ্যমন্ত্ৰী পৰিয়ালৰ ভূমি কেলেংকাৰীৰ, তাৰ তদন্ত লাগে।

....... সদনত হুলুস্থুল.....

(বিৰোধী দলে সদন ত্যাগ কৰে)

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী অশ্ৰাফুল হুছেইন।

**শ্ৰী অশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সদনত মোবাইলত recording বাজি আছে, recording বজোৱাটো সঠিক কথা নহয়, এইটো সদন পৰিচালন বিধিৰ বিৰুদ্ধে, আমি ইয়াৰ কিবা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আজি recording বাজি আছে, কালিলৈ কিবা বেলেগ screen ত আহিব।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য,please আপোনাৰ শূণ্যকালীন ঘন্টাৰ বিষয়টো কওঁক, বাকীখিনি কি কৰিব লাগে মই চাম।

**শ্ৰী অশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, শূণ্যকালীন ঘন্টাত মই দৈনিক অগ্ৰদূত কাকতত ইং ১৪-০৯-২০২৩ তাৰিখে প্ৰকাশিত “মিছন বসুন্ধৰাৰ নামত চৰকাৰে ভেঁকোভাওনা কৰাৰ অভিযোগ” এই শীৰ্ষক বাতৰিটো আমি আনিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, মিছন বসুন্ধৰাৰ জৰিয়তে অসমবাসী জনগণে অন্তত এটা আশা কৰিছিল যে প্ৰতিজন ভূমিহীন মানুহে, যিসকল গৃহহীন মানুহ ভূমি পাব বা গৃহ কৰিবলৈ

ঠাই এডোখৰ পাব। আজি দেখা গৈছে যে গোটেই অসমত মিছন বসুন্ধৰাৰ কাম কম বেছি পৰিমানে হৈ আছে। কিন্তু কিছু কিছু ঠাইত মানুহক বঞ্চনা কৰি থকা পৰিলক্ষিত হৈছে। আজি যদি চাই, মানকাছাৰ জিলাৰ মানকাছাৰ Revenue Circle ত মিছন বসুন্ধৰাৰ কাম এনেকুৱা কাছ গতিত আগবাঢ়িছে, যি কথাটো আমাৰ মন্ত্ৰী মহোদয়েও অৱগত আৰু মানকাছাৰ সমষ্টিৰ বিধায়কো আছে, আমি সকলোৱে অৱগত।

আজি বহু ঠাইৰ মানুহক তেওঁলোকক নদী পৰিয়া বুলি কৈ, চৰ অঞ্চল বুলি কৈ geo-logical কাৰণত তেওঁলোকক মাটিৰ পট্টাৰ পৰা বঞ্চিত কৰি ৰখা হৈছে। স্বাধীনতাৰ আজি ৭৫ টা বছৰ পাৰ হৈ যোৱাৰ পিছতো, ভুমিহীন মানুহে, আজি ভূমি পাব বুলি যিধৰণে আশা আৰু আকাঙ্খা মনত লৈ আছিল, আজি নৈ পাৰত বসবাস কৰি থকাৰ কাৰণে আৰু বিশেষ জনগোষ্ঠীৰ মানুহ হোৱাৰ কাৰণে তেওঁলোকে যদি ভূমি পট্টাৰ পৰা বঞ্চিত হয়, ইয়াতকৈ দূৰ্ভাগ্যৰ কথা আৰু একো হ'ব নোৱাৰিব। এই চৰকাৰে অতি সম্প্ৰদায়িক নীতি, অতি বিভাজনী নীতিৰে মিছন বসুন্ধৰাৰ কামখিনি চলাই থকা আমি পৰিলক্ষিত কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, এনেকুৱা গাওঁ আমাৰ অসমত বহুতো ওলাব, যিসমূহ গাওঁ নদীত জাহ গৈছে। তাৰ পিছতো সেই সমুহ গাওঁৰ মানুহৰ হাতত আজিৰ দিনতো মাটিৰ পট্টা আছে। যদি আপুনি উদাহৰণ স্বৰূপে লয়, মৰিগাওঁ জিলাৰ শতাধিক গাওঁ পাব, যিসমুহ গাওঁ আজি নদীত জাহ গৈছে, নদীৰ লগত মিলি গৈছে, তাৰ পিছতো মানুহে পট্টা লৈ বহি আছে। এনেকুৱা গাওঁ বহুত পাব, বৰপেটা জিলাত মোৰ সমষ্টিত যিবিলাক স্বাধীনতাৰ পিছত ৫০, ৭০ খন গাওঁ নদীত জাহ গৈছে, নদীৰ লগত বিলিন হৈ গৈছে, তাৰ পিছতো সেই মানুহখিনি পট্টা লৈ বহি আছে। নহলে ক'ৰবাত ক'ৰবাত এনেকুৱা ঠাই আছে, সেই সমুহ ব্যক্তিয়ে গৈ চৰকাৰী ভূমি হওঁক, নৈ পৰিয়া মাটি হওঁক, সেই সমূহত আশ্ৰয় লৈছে। আজি আপোনালোকে নিশ্চয় জানে যে অসমত কৃষি অৰ্থনীতি, অসমত খেতি-বাতিৰ ক্ষেত্ৰত যিখিনি মানুহে আগ্ৰহ লোৱা ভূমিকা পালন কৰে, সেই মানুহখিনিয়ে বিশেষকৈ চৰ অঞ্চল সমূহত বসবাস কৰে। আজি চৰ অঞ্চল বুলি কৈ নদীৰ দুয়োপাৰে বসবাস কৰা বহুত ঠাই, য'ত যুগ যুগ আগত কিজানি নদী আছিল,নে নাছিল তাৰো প্ৰমাণ পোৱা নাযায়। আজি মোৰ সমষ্টিত কাছোমাৰাত যদি আপোনালোকে চাই, নদীৰ পাৰৰ ঠাইত, নদী পাৰ হৈ তাত যাব নালাগে। আপোনালোকে যদি গুৱাহাটীৰ পৰা যায় নদী পাৰ হৈ যাব নালাগে। পলাশবাৰী যেনেকুৱা ঠাই, একেধৰণে কাছোমাৰাও। আপুনি যদি বাঘমাৰাত চাই, বাঘমাৰাত এনেকুৱা অনুষ্ঠান প্ৰতিষ্ঠান গঢ়ি উঠিছে, সৰু নদী এখন পাৰ হৈ যাব লাগে। আলোগুটি যদি যায়, সেই সমুহ ঠাইত মানুহক মাটিৰ পট্টাৰ পৰা বঞ্চিত কৰি আহিছে। আজি যদি কেৱল নদী পৰিয়া ঠাই বুলি আৰু বিশেষ জনগোষ্ঠীৰ মানুহ বসবাস কৰা বুলি এইখিনি মানুহক বঞ্চনা কৰা হয়, তেতিয়া হলে ইয়াতকৈ দূভাগ্য একো হ'ব নোৱাৰে। নহলে আপুনি নিশ্চিত ভাৱে জানে যে ১৯৬৭ চনত অন্তিম বাৰৰ কাৰণে cadestrial survey হৈছিল, আমি আশা কৰিছিলো যে মিছন বসুন্ধাৰাৰ জৰিয়তে cadestrial survey সমূহ সম্পুৰ্ণ হ'ব আৰু ইয়াৰ জৰিয়তে সেই সমূহ মাটিত যুগ যুগ ধৰি বসবাস কৰি থকা সকলৰ সতি-সন্ততি সকলে আজি ভূমিৰ পট্টা পাব। কিন্তু দেখা গৈছে মহোদয়, যিসমূহ NC village আছে, সেই সমূহ NC village ত এতিয়ালৈকে cadestrial survey চলোৱা কোনো পৰিকল্পনা আমি দেখা নাই। আৰু যদি কৰিছে, আমাক জনাব লাগে। ...........

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য এক মিনিট।

**শ্ৰী অশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আৰু দুই মিনিট কৈ শেষ কৰি দিম।

**মাননীয় উপাধ্যক্ষ** ঃ আজি শুক্ৰবাৰ, আমাৰ বিধান সভাত ভোজনৰ ব্যৱস্থা কৰা হৈছে ১টা বজাৰ পৰা। সকলো সদস্যই ভোজন গ্ৰহণ কৰিব পাৰিব।

আজি সদন দুপৰীয়া ২.০০ বজালৈ স্থগিত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া ৰিপোৰ্ট লেয়িং।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ Sir, before entering into the business I have submitted one breach of priviledge motion after the Zero Hour and business is entered. I would like to request you kindly to allow me to move my Breach of Priviledge Motion.

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, হাউচ এডজৰ্ণ হোৱাৰ আগে আগে জিৰ' আৱাৰ চলি আছিল তাত মোৰ কথা খিনি আধৰুৱা হৈ থাকিল আৰু মন্ত্ৰীৰ উত্তৰো বাকী থাকিল .......

**মাননীয় অধ্যক্ষ** ঃ জিৰ' আৱাৰৰ কাৰণে টাইম ফিক্স থাকে । আৰু তাৰে টাইম গুছি গ'ল। সেয়েহে আমি এতিয়া বাকী কাৰ্য্যসূচী হাতত লৈছো ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ)** ঃ বাঘমৰা গাওঁ পঞ্চায়তত তিনি মাহৰ গোটেই চাউল আত্মসাৎ কৰিলে। পশ্চিম মণ্ডিয়া সমবায় সমিতিৰ জুলাই আৰু আগষ্টৰ দুই মাহৰ চাউল আত্মসাৎ কৰিলে । ইতিমধ্যে মই নটিচ দিছো । আপুনি এইটো বিবেচনা কৰিব ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া বিত্ত মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ৰিপোৰ্ট লে কৰিব ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা ইত্যাদি মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিত্ত মন্ত্ৰী অজন্তা নেওঁগ ডাঙৰীয়ানীৰ হৈ ২০২১-২২ চনৰ বিত্ত বিভাগৰ বাৰ্ষিক প্ৰশাসনিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী পৰিমল শুক্লবৈদ্য । মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৭-১৮ বৰ্ষৰ "The Assam State Transport Corporation of the Transport Department, Government of Assam" প্ৰতিবেদন খন সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ শ্ৰী বিনোদ হাজৰিকা।

**শ্ৰী বিনোদ হাজৰিকা, (চাবুৱা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ চৰকাৰী আশ্বাস সমূহৰ সমিতিৰ ৫৬ তম্ প্ৰতিবেদনখন সদনত দাখিল কৰিলো ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া "The Assam Backward Classes Commission (Amendment) Bill, 2023" বিধেয়কখনৰ বাবে মাননীয় মন্ত্ৰী পিয়ুষ হাজৰিকা ডাঙৰীয়াক বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ আগবঢ়াবলৈ অনুৰোধ জনালো ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা ইত্যাদি মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমিত সাপেক্ষে "The Assam Backward Classes Commission (Amendment) Bill, 2023" বিধেয়কখন বিবেচনাৰ বাবে সদনক অনুৰোধ জনালো ।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল—

বিধেয়কখন বিবেচনা কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মই দফাই দফাই বিবেচনা কৰিবলৈ লৈছো

২ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে। যিহেতু তেখেত অনুপস্থিত সেয়েহে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব ।

এতিয়া মই প্ৰস্তাৱটো দাঙি ধৰিলো।
যিসকল সদস্য/সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল ।

৩ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে।
যিহেতু তেখেত অনুপস্থিত সেয়েহে ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ব ।
মই এতিয়া প্ৰস্তাৱটো দাঙি ধৰিলো।
যিসকল সদস্য/সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।
১ নং দফা, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই।
১ নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।
এতিয়া প্ৰশ্নটো হ'ল,
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
১ নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী শ্ৰীপীযুষ হাজৰিকা ডাঙৰীয়াই বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰীপীযুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় মই "The Assam Backward Classes Commission (Amendment) Bill, 2023" বিধেয়কখন পাৰিতকৰণৰ

বাবে প্ৰস্তাৱ আগবঢ়াইছো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল—

"The Assam Backward Classes Commission (Amendment) Bill, 2023" বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

বিধেয়কখনো পাৰিত কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী শ্ৰীসঞ্জয় কিষাণ ডাঙ্তৰীয়াক **THE ASSAM GRATUITY (AMENDMENT) BILL, 2023** বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ আগবঢ়াবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী সঞ্জয় কিশান, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে **THE ASSAM GRATUITY (AMENDMENT) BILL, 2023** বিধেয়কখন বিবেচনা কৰিবৰ কাৰণে সদনত অনুৰোধ জনালো ।

মাননীয় অধ্যক্ষ ঃ মই এতিয়া বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল—

বিধেয়কখন বিবেচনা কৰাত সদনৰ সন্মতি আছেনে ?

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া মই দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল।

২ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ নামত দুটা সংশোধনী প্ৰস্তাৱ আছে। যিহেতু তেখেত অনুপস্থিত সেয়েহে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব । এতিয়া প্ৰস্তাৱটো হৈছে যিসকল সদস্য/সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়' যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়' মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

৩ নং দফাত মাননীয় সদস্য শ্ৰীহাফিজ বছিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগীসকলৰ নামত এটা আৰু শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ নামত এটা, মুঠ দুটা সংশোধনী প্ৰস্তাৱ আছে।

তেওঁলোকে সংশোধনীকেইটা উঠাই লৈছে।

গতিকে ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ব ।

এতিয়া প্ৰস্তাৱটো হৈছে

যিসকল সদস্য / সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

১ নং দফা, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই।

১ নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

এতিয়া প্ৰশ্নটো হ'ল,

যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

১ নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী শ্ৰীসঞ্জয় কিষাণ ডাঙৰীয়াই বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ কৰিবৰ বাবে অনুৰোধ জনালো।

**শ্ৰী সঞ্জয় কিশান, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Gratuity (Amendment) Bill, 2023" বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ আগবঢ়ালো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।

প্ৰস্তাৱটো হ'ল—

"The Assam Gratuity (Amendment) Bill, 2023"

বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'

মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে

প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

বিধেয়কখনো পাৰিত কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া **THE ASSAM TEA PLANTATIONS PROVIDENT FUND AND PENSION FUND AND DEPOSIT LINKED INSURANCE FUND SCHEME (AMENDMENT) BILL, 2023** মই মাননীয় মন্ত্ৰী শ্ৰীসঞ্জয় কিষাণ ডাঙ্ৰীয়াই বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ আগবঢ়াবৰ বাবে অনুৰোধ জনাইছো।

**শ্ৰী সঞ্জয় কিশান, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমিত সাপেক্ষে **THE ASSAM TEA PLANTATIONS PROVIDENT FUND AND PENSION FUND AND DEPOSIT LINKED INSURANCE FUND SCHEME (AMENDMENT) BILL, 2023** বিধেয়কখন বিবেচনাৰ বাবে সদনক অনুৰোধ জনালো ।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলো।

প্ৰশ্নটো হ'ল—
বিধেয়কখন বিবেচনা কৰাত সদনৰ সন্মতি আছেনে?
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে,
প্ৰস্তাৱটো গৃহীত হ'ল।
এতিয়া মই দফাই দফাই বিবেচনা বাবে লোৱা হ'ল।

২ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে।

যিহেতু তেখেত অনুপস্থিত সেয়েহে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।
এতিয়া প্ৰশ্নটো হ'ল,
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

১ নং দফা, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই।
১ নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।
এতিয়া প্ৰশ্নটো হ'ল,
যিসকল সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
১ নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী শ্ৰীসঞ্জয় কিষাণ ডাঙৰীয়াক বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ আগবঢ়াবলৈ অনুৰোধ জনালো ।

**শ্ৰী সঞ্জয় কিশান, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই **THE ASSAM TEA PLANTATIONS PROVIDENT FUND AND PENSION FUND AND DEPOSIT LINKED INSURANCE FUND SCHEME (AMENDMENT) BILL, 2023**

বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ আগবঢ়ালো ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো।
প্ৰস্তাৱটো হ'ল—

**THE ASSAM TEA PLANTATIONS PROVIDENT FUND AND PENSION FUND AND DEPOSIT LINKED INSURANCE FUND SCHEME (AMENDMENT) BILL, 2023**
বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়'
যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে
প্ৰস্তাৱটো গৃহীত কৰা হ'ল।
বিধেয়কখনো পাৰিত কৰা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** "The Assam Repealing Bill, 2023 ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল-

Under the provision of Article 207 (3) of the Constitution of India, I Shri Gulab Chand Kataria, Governor of Assam recommend that "The Assam Repealing Bill, 2023 be taken into consideration by the Assam Legislative Assembly.মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Repealing Bill, 2023 বিধেয়কখন বিবেচনাৰ বাবে সদনক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ** ঃ মই এতিয়া বিধেয়কখন বিবেচনাৰ কাৰণে প্ৰস্তাৱ দাঙি ধৰিলো। প্ৰশ্নটো হ'ল বিধেয়কখন বিবেচনা কৰাত সদনৰ সন্মতি আছেনে? যিসকল সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়' ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ল। এতিয়া বিধেয়কখনত ২ নং দফাত সংশোধনী প্ৰস্তাৱ নাই। ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। প্ৰশ্নটো হ'ল যিসকল সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ২ নং দফটো বিধেয়কখনৰ অংশ হ'ল। ৩ নং দফাত মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকলৰ নামত এটা সংশোধনী প্ৰস্তাৱ আছে, তেখেতসকল absent. সেয়েহে ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। প্ৰশ্নটো হ'ল যে যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো,'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ৩ নং দফাটো বিধেয়কখন অংশ হ'ল। ৪ নং দফাত সংশোধনী প্ৰস্তাৱ নাই। ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। এতিয়া প্ৰশ্নটো হ'ল- যিসকল সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক হয়,

যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। ১ নং দফা, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। ১ নং দফা পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। এতিয়া প্ৰশ্নটো হ'ল যিসকল সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়', মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। ১ নং দফা পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। মাননীয় মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু, (শিক্ষা মন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Repealing Bill, 2023 বিধেয়কখন পাৰিতকৰণৰ বাবে প্ৰস্তাৱ আগবঢ়াইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- "The Assam Repealing Bill, 2023 বিধেয়কখন পাৰিত কৰা হ'ল। যিসকল মাননীয় সদস্য-সদস্যা বিধেয়ক খনৰ সপক্ষে আছে, তেখেতসকলে কওঁক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক নহয়, মই ভাবো, 'হয়'ৰ সপক্ষে, 'হয়ৰ সপক্ষে, 'হয়'ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত কৰা হ'ল। বিধেয়কখনো পাৰিত কৰা হ'ল।

এটা ঘোষণা আছে-

যোৱা ১১ চেপ্তেম্বৰ ২০২৩ তাৰিখৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয়ে সদনৰ প্ৰস্তাৱ মৰ্মে গঠন কৰিবলগীয়া ৫ খন সমিতিৰ ফলাফল একাদিক্ৰমে মই ঘোষণা কৰিবলৈ লৈছো —

**চৰকাৰী হিচাপ সমূহৰ সমিতি**

চৰকাৰী হিচাপ সমূহৰ সমিতিৰ নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক চৰকাৰী হিচাপ সমূহৰ সমিতিলৈ সৰ্বসন্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল —

| | |
|---|---|
| ১. শ্ৰী নুৰুল হুদা | - বিধায়ক |
| ২. শ্ৰী পদ্ম হাজৰিকা | - বিধায়ক |
| ৩. শ্ৰী উৎপল বৰা | - বিধায়ক |
| ৪. শ্ৰী মানৱ ডেকা | - বিধায়ক |
| ৫. শ্ৰী চক্ৰধৰ গগৈ | - বিধায়ক |
| ৬. শ্ৰী কৌশিক ৰায় | - বিধায়ক |
| ৭. শ্ৰী লৰেন্স ঈছলাৰী | - বিধায়ক |
| ৮. শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা | - বিধায়ক |
| ৯. শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী | - বিধায়ক |
| ১০. শ্ৰী দেৱব্ৰত শইকীয়া | - বিধায়ক |
| ১১. শ্ৰীভৰত চন্দ্ৰ নৰহ | - বিধায়ক |
| ১২. হাফিজ বচিৰ আহমেদ | - বিধায়ক |
| ১৩. শ্ৰী কৰিম উদ্দিন বড়ভূইয়া | - বিধায়ক |

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১)ৰ অধীনত সমিতিৰ সদস্য শ্ৰী নুৰুল হুদাক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্য সকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক

ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**প্ৰাক্‌কলন সমিতি**

নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক প্ৰাক্‌কলন সমিতিলৈ সৰ্বসন্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল —

১. শ্ৰী প্ৰশান্ত ফুকন - বিধায়ক
২. শ্ৰী প্ৰমোদ বৰঠাকুৰ - বিধায়ক
৩. শ্ৰী ভাস্কৰ শৰ্মা - বিধায়ক
৪. শ্ৰী ৰূপক শৰ্মা - বিধায়ক
৫. শ্ৰী মৃণাল শইকীয়া - বিধায়ক
৬. শ্ৰী প্ৰদীপ হাজৰিকা - বিধায়ক
৭. শ্ৰী পোনাকণ বৰুৱা - বিধায়ক
৮. শ্ৰী ওৱাজেদ আলী চৌধুৰী - বিধায়ক
৯. শ্ৰী কমলাক্ষ দে পুৰকায়স্থ - বিধায়ক
১০. শ্ৰী দিগন্ত বৰ্মন - বিধায়ক
১১. শ্ৰী দুৰ্গা দাস বড়ো - বিধায়ক
১২. শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) - বিধায়ক
১৩. শ্ৰী আমিনুল ইছলাম - বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য

শ্ৰী প্ৰশান্ত ফুকনক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**ৰাজহুৱা উদ্যোগ সমূহৰ সমিতি**

নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিলৈ সৰ্বসন্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল —

১. শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা - বিধায়ক
২. শ্ৰীমতী সুমন হৰিপ্ৰীয়া - বিধায়িকা
৩. শ্ৰী তেৰছ গোৱালা - বিধায়ক
৪. শ্ৰী কৃষ্ণেন্দু পাল - বিধায়ক
৫. শ্ৰী গনেশ কুমাৰ লিম্বু - বিধায়ক
৬. শ্ৰীসুৰেন ফুকন - বিধায়ক
৭. শ্ৰী জিতু গোস্বামী - বিধায়ক
৮. শ্ৰী প্ৰদীপ হাজৰিকা - বিধায়ক

৯. শ্ৰী চৰন বড়ো - বিধায়ক
১০. শ্ৰী জাকিৰ হুছেইন সিকদাৰ - বিধায়ক
১১. শ্ৰী ৰেকিবুদ্দিন আহমেদ - বিধায়ক
১২. শ্ৰীমতী শিৰামনি বৰা - বিধায়িকা
১৩. শ্ৰী ৰফিকুল ইছলাম - বিধায়ক

অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ নিয়ম ১৯৮ (১) ৰ অধীনত সমিতিৰ সদস্য
শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি কল্যাণ সমিতি**

নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক অনুসূচীত জাতি আৰু অনুসূচীত জনজাতি কল্যাণ সমিতিলৈ সৰ্বসন্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল -

১. শ্ৰী ভূৱন পেগু - বিধায়ক
২. শ্ৰী অজয় কুমাৰ ৰায় - বিধায়ক
৩. শ্ৰী বিদ্যাসিং ইংলেং - বিধায়িক
৪. শ্ৰী ৰূপছিং টেৰণ - বিধায়ক
৫. শ্ৰী বিজয় মালাকাৰ - বিধায়ক
৬. শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী - বিধায়ক
৭. শ্ৰী পৃথ্বিৰাজ ৰাভা - বিধায়ক
৮. শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী - বিধায়ক
৯. শ্ৰী বসন্ত দাস - বিধায়ক
১০. শ্ৰী মতী নন্দিতা দাস - বিধায়িকা
১১. শ্ৰী যাদৱ স্বৰ্গীয়াৰী - বিধায়ক
১২. শ্ৰী মজিবুৰ ৰহমান - বিধায়ক
১৩. শ্ৰী ৰবিৰাম নাৰ্জাৰী - বিধায়ক

সমিতিৰ সদস্য শ্ৰী ভুবন পেগুক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

**অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতি**

নিৰ্বাচিত হ'বলগীয়া সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা সম-সংখ্যক হোৱা হেতুকে নিম্নোক্ত সদস্যসকলক অন্যান্য পিছপৰা শ্ৰেণী আৰু অধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতিলৈ সৰ্বসন্মত ভাবে নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হ'ল —

১. শ্ৰী ৰঞ্জিত দত্ত - বিধায়ক

২. ড° অমিয় কুমাৰ ভূঞা - বিধায়ক
৩. শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ - বিধায়ক
৪. ড° পৰমানন্দ ৰাজবংশী - বিধায়ক
৫. শ্ৰী বিনোদ হাজৰিকা - বিধায়ক
৬. শ্ৰী হেমাংগ ঠাকুৰীয়া - বিধায়ক
৭. শ্ৰী ৰূপেশ গোৱালা - বিধায়ক
৮. শ্ৰী ৰূপজ্যোতি কুৰ্মী - বিধায়ক
৯. শ্ৰী পোনাকণ বৰুৱা - বিধায়ক
১০. শ্ৰীমতী ৰেণুপমা ৰাজখোৱা - বিধায়িকা
১১. শ্ৰী আবুল কালাম ৰশিদ আলম - বিধায়ক
১২. শ্ৰী নিজানুৰ ৰহমান - বিধায়ক
১৩. শ্ৰী জয়ন্ত বসুমতাৰী - বিধায়ক

সমিতিৰ সদস্য শ্ৰী ৰঞ্জিত দত্তক সভাপতি হিচাপে নিয়োগ কৰা হ'ল।

নতুনকৈ নিৰ্বাচিত হোৱা সমিতিৰ সদস্যসকলৰ কাৰ্য্যকাল গঠন হোৱা তাৰিখৰ পৰা অনধিক ত্ৰিশমাহ কাৰ্য্যকালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰিব।

সন্মানীয় সদন, যোৱা ১১ চেপ্তেম্বৰ তাৰিখে আৰম্ভ হোৱা শৰৎকালীন অধিৱেশনৰ ৫ দিনীয়া কাৰ্য্যসূচীৰ তিনিদিন চৰকাৰী কাৰ্য্যসূচী আৰু দুদিন বে-চৰকাৰী কাৰ্য্যসূচীৰে সম্পূৰ্ণ হোৱাৰ পাছত আজি সামৰণি পৰিল। এই অধিৱেশনৰ কালছোৱাত ২৬ খন গুৰুত্বপূৰ্ণ বিধেয়ক পাৰিত হোৱাৰ লগতে এখন বে-চৰকাৰী বিধেয়কো সদনত উত্থাপন কৰি আলোচনা কৰা হয়। বিধান সভাৰ বিভিন্ন প্ৰক্ৰিয়াৰ জৰিয়তে ৰাজ্যখনৰ জলন্ত সমস্যাসমূহকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোচনা কৰা হয়। এইবাৰ অধিৱেশনৰ সদনত কাৰ্য্যসূচী স্থগিত ৰাখি বিৰোধী পক্ষই সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰা ৰাজ্যত বিদ্যুতৰ নাটনি সম্পৰ্কীয় বিষয়টো আলোচনা কৰা হয়। এইবাৰ নৱনিৰ্মিত স্থায়ী বিধান সভাৰ ভৱনত প্ৰথম বাৰৰ বাবে এখন পূৰ্ণাংগ অধিৱেশন অনুষ্ঠিত কৰিব পৰাটো এক উল্লেখযোগ্য দিশ। বিধান সভা চৌহদত জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিৰ উন্মোচনেৰে প্ৰথম দিনৰ অধিৱেশন আৰম্ভ কৰাটো আমাৰ বাবে পৰম সৌভাগ্যৰ বিষয়। লগতে আমাৰ নতুন ভৱনৰ সভাত ভৰোৱা Heritage Assam ৰ এই অধিৱেশনৰ কালছোৱাত শুভ উদ্বোধন কৰা হয়। এই অধিৱেশন সমাপনৰ মূহুৰ্তত সদনৰ কাম-কাজ সুকলমে পৰিচালনা কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতাৰ বাবে মাননীয় মুখ্যমন্ত্ৰীকে প্ৰমুখ্যে মন্ত্ৰী পৰিষদৰ সকলো মাননীয় সদস্য, বিধান সভাৰ মাননীয় উপাধ্যক্ষ, বিৰোধী দলৰ দলপতিকে ধৰি সদনৰ সকলো মাননীয় সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। সদৌ শেষত বিধান সভা অধিৱেশনৰ লগত জড়িত প্ৰচাৰ মাধ্যমৰ বন্ধুসকল, চৰকাৰী বিষয়া-কৰ্মচাৰী, বিধান সভা সচিবালয়ৰ প্ৰধান সচিব তথা সমূহ বিষয়া কৰ্মচাৰীকে আদি কৰি সকলো পক্ষলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি কৰম পূজা, শ্ৰীমন্ত শংকৰদেৱ জন্ম উৎসৱ আৰু আগন্তুক কাতি বিহু আৰু শাৰদীয় দূৰ্গা পূজাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

The House Adjourned Sine-die.

(জাতীয় সংগীত পৰিবেশন কৰি সদন অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হ'ল)